1.41182
T153L

# লয়লা

লিখক আৰু প্ৰকাশক

**শ্ৰীউমাকান্ত তামুলী**

তেজপুৰ, আসাম।

১৮৫২ শক

প্ৰথম তাঙৰণ।

891.41182
T153L

—বেচ—

পকা বন্ধা ৸৹ অনা।

কেঁচা বন্ধা ॥৹ অনা।

প্ৰিণ্টাৰ—শ্ৰীৰাজকুমাৰ মজুমদাৰ
কামৰূপ প্ৰেছ
৪২নং বাদুৰবাগান ষ্ট্ৰীট, কলিকতা

*317.17*

# উছর্গা

মেলিলে জিপিলে চকু দেখো অন্ধকাৰ
বসুধা ভিতৰে আই ! চিৰ অভাগাই ।
বিশ্ব জ্যোতি পাম বুলি, সাধনা কৰিলো
এক, প্ৰতীক্ষাৰ মধুৰ সপোন । কিন্তু—
হায় ! অন্ধকাৰ দুগুণে চৰিল ।
মিছাই জন্মালি আই !
মূৰ্খ হ'ই জন্ম লোৱা বাবে
জ্বলিবি সদাই তই, যত দিন জীম ।
আন্ধাৰে মুধাৰে গই, গন্ধহীন ফুল
তুলি, গাঠিলোঁ ইধাৰি মালা, দিম বুলি
তোৰ চৰণত, অযোগ্য হাতেৰে । মূৰ্খ
বুলি নিঘিনাই লবি আই ! সাদৰেৰে মালাধাৰি
অন্ধ পুতেৰৰ.; এয়ে মাত্ৰ অভিলাষ
দুৰ্ব্বল চিত্তৰ ।

বিজয়া দশমী । প্ৰণত
গ্ৰন্থকাৰ ।

# বিষয় নিৰূপণ

প্ৰথম সৰ্গ—ভাৰতীৰ ওচৰত লিখকৰ সামান্য কাহিনী বৰ্ণন। দেবীৰ কৃপাত ঘৃনণীয় জীৱনৰ উন্নতি আৰু মানৱ সমাজত আদৰ্শ। মক্কা মদিনা নগৰৰ শোভা বৰ্ণন। অপুত্ৰক হৈ আলিগহ বাদচাহৰ অনুতাপ। মোল্লাবাসীৰ আগমন আৰু আশ্বাস-পূৰ্ণ বাণীৰে কথোপকথন। বাদচাহৰ পুত্ৰ লাভ। আৰব দেশৰ ধনী সদাগৰ কাছেম আৰু লয়লা। লয়লাৰ ৰূপ মাধুৰী। শিক্ষাৰ্থে একে শিক্ষা মন্দিৰত আলিগহ বাদচাহৰ পুত্ৰ কায়েচ আৰু লয়লা। নিস্বাৰ্থ ভাবৰ প্ৰেম। হিতে বিপৰীত। গুপ্ত প্ৰণয় সকলোতে, পোহনীয়া কুকুৰৰ নিচিনা বন্ধুৰ দ্বাৰা জনাযাত আৰু বিচ্ছেদ। প্ৰতাৰণা। দুয়োৰে পঢ়া শুনা বন্ধ আৰু ভগ্ন হৃদয়েৰে কায়েচৰ বনৰ মাজত লয়লাৰ ৰূপ ধ্যান।

দ্বিতীয় সৰ্গ—জোৎস্নাময়ী পুৱতি নিশাৰ বিবৰণ। প্ৰাভাতিক দৃশ্য বৰ্ণন। স্বৰ্গ মৰ্ত্যৰ পাৰ্থক্য। নাওফল নৃপৰ গগন চুম্বিত সুউচ্চ প্ৰাচীৰ। মৃগয়াৰ কাৰণে উদ্যম। সাৰথিৰ লগত কথোপ-কথন নৃপতিৰ নিষ্ফল মনোৰথেৰে গৃহাভিমুখে

আগমন আৰু বনৰ মাজত কায়েচৰ লগত মিলন। দুৰ্দ্দান্ত বালকৰ মুখে কায়েচৰ পৰিচয় আৰু মজনু নামৰ কাৰণ। সৈন্যৰ মাজত জন কলৰব। বেগে নৃপতিৰ প্ৰস্থান।

তৃতীয় সৰ্গ—হাঁহিভৰা যৌবন বসন্তৰ আভাস। কায়েচৰ বন্ধু এবন ছয়ালৰ যৌৱনত প্ৰেমৰ ঝঙ্কাৰ আৰু লয়লাৰ ৰূপত মুগ্ধ। জনক নজৰুদ্দিনৰ কাছেম সদাগৰৰ ওচৰত কন্যাৰ্থে আহ্বান। এবনৰ লগত লয়লাৰ বিবাহ। লয়লাৰ শোক বেজাৰ আৰু এবনৰ আনন্দ। চিত্ৰিত শয়ন কক্ষ। লয়লাক লক্ষ্য কৰি এবনৰ মনোভাব প্ৰকাশ আৰু ধৰিবৰ কাৰণে অগ্ৰসৰ। লয়লাৰ চামুণ্ডা আকৃতি ধাৰণ আৰু এবনৰ অপমান। গণ্ডগোল আৰু কাছেমৰ লয়লাৰ প্ৰতি উপদেশ বাণী। লয়লাৰ উক্তি। উন্মাদিনী লয়লা। বনৰ পৰা কায়েচক আনয়ন। লয়লাৰ দ্বিতীয় বিবাহ। কায়েচৰ আনন্দ আৰু উন্মাদতা। লোক গৰিহনা। বনলৈ নিষ্ফল মনেৰে প্ৰবেশ। কাছেমৰ প্ৰতিজ্ঞা আৰু এবনৰ ষড়যন্ত্ৰ।

চতুৰ্থ সৰ্গ—নব উলাহত ধৰনীৰ হাঁহি বৰ্ণন। বনৰ মাজত কায়েচ। লয়লাক লক্ষ্য কৰি হৃদয়ৰ অতীত

ৰহস্য কৈ কায়েচৰ শোক-বেজাৰ। কায়েচৰ বনৰ মাজত টোপনি আৰু সপোন। সপোন দেবীৰ ৰহস্য বর্ণন। সপোনত নানা বিভীষিকা দৃশ্য দর্শন। লয়লাৰ বন্দী অৱস্থা আৰু এবনৰ মৃত্যু। কায়েচৰ শোকৰ উপৰি শোক।

পঞ্চম সর্গ—শৰৎ মাধুর্য্য। প্ৰভাতে নাওফল নৃপৰ লগত কায়েচৰ মিলন আৰু কথোপকথন। নাওফলৰ প্ৰতিজ্ঞা। কায়েচক বনৰ পৰা আনয়ন। কাছেম সদাগৰৰ সভামণ্ডপ বর্ণন। দূতৰ প্ৰবেশ আৰু কথোপকথন। যুদ্ধ। লয়লা আৰু কাছেমৰ বন্দী বেশ। ষড়যন্ত্ৰ পূর্ণ বিবাহ। ভাগ্যক্ৰমে নাওফলৰ বিহ পান আৰু মৃত্যু। পুনৰ—কায়েচ আৰু লয়লাৰ বনে গমন। বনত কাছেম আৰু লয়লা। শোক বেজাৰত লয়লা। জনক জননীৰ আশ্বাস বাণী। লয়লাৰ সপোন। কায়েচৰ লগত মিলন আৰু সন্তাপ।

ষষ্ঠ সর্গ—তীব্ৰবেগী যৌৱন। বনৰ মাজত কায়েচৰ শোক-বেজাৰ আৰু মনোবল। লয়লাৰ মিলনার্থে নগৰে গমন! বিপদ আপদ অতিক্ৰম! বিৰহৰু সঙ্গীত। মধুৰ মিলন। লয়লাৰ কান্দোন আ বিদায়। কায়েচৰ বন্দী বেশ। সভাৰ মাজত

কাছেম সদাগৰৰ ক্ৰোধ মূৰ্ত্তি আৰু গৰিহনা বাক্য মৃত্যুৰ কাৰণে আশা। বেগে লয়লাৰ প্ৰবেশ লয়লাৰ প্ৰতি জনকৰ গৰিহনা আৰু তেজাল উক্তি। লয়লাৰ বিননি। জনকৰ উক্তি আৰু উন্মাদ বেশে অন্তঃপুৰে গমন। শোকে সন্তাপে কায়েচৰ বনে গমন। সভাসদ সকল।

সপ্তম সৰ্গ—সৃষ্টি পাতনি আৰু প্ৰকৃতি পুৰুষ। বিধাতাৰ প্ৰকৃতি পুৰুষৰ আগে সৃষ্টিৰ ৰহস্য ভেদ। সমাবেশ। বিশ্ৰাম কক্ষত শোক বেজাৰেৰে কাছেম সদাগৰ। বৃদ্ধা নাছিৰনৰ প্ৰবেশ আৰু কথোপকথন। প্ৰমোদ কানন দৰ্শনে লয়লা। লয়লাৰ প্ৰতি নাছিৰনৰ আশ্বাস বাণী। বিচ্ছেদৰ কাৰণে নাছিৰনৰ চেষ্টা আৰু প্ৰতাৰনা পূৰ্ণ ব্যাখ্যা। লয়লাৰ আকস্মিক খং। নাছিৰনৰ—ৰহস্য পূ ভাব। লয়লাৰ বিষাদ।

অষ্টম সৰ্গ—সন্ধ্যা সমাগম। আৰবৰ নী সাগৰৰ শোভা বৰ্ণন। বিধাতাৰ সৃজিত মাধুৰী নিশা আগমন। অৱস্থাৰ পৰিবৰ্ত্তন। লয়লা মৃত্যুৰ লক্ষণ আৰু জনকৰ দূৰে গমন। মাক আৰ লয়লা। পুৱঁতি নিশাত লয়লাৰ সপোন। সপোন কায়েচৰ সৈতে মধুৰ মিলন আৰু বিচ্ছেদ

কায়েচৰ ইচ্ছা মৃত্যু। লয়লাৰ কান্দোন। জননীৰ বিভীষিকা স্বপ্ন দৰ্শন আৰু কন্যাৰ লগত কথোপ-কথন। লয়লাৰ উক্তি। লয়লাৰ আকস্মিক মৃত্যু। জননীৰ শোক-বেজাৰ আৰু অনুতাপেৰে কান্দোন।

নৱম সৰ্গ—গহীন বনৰ মাজত ধ্যানমগ্ন কায়েচ। লয়লাৰ মৃত্যুৰ কথা শুনি অনুতাপ। প্ৰলাপপূৰ্ণ বাণী। আকুল আহ্বান। সন্ধ্যাৰ আগমন। নানান দৃশ্য। বিভুৰ মহিমা বৰ্ণন। নিস্বাৰ্থ ভাবৰ চন্দ্ৰৰ কিৰণ। শেষ নিশা কায়েচৰ ধ্যান ভঙ্গ। বিশ্ব মাধুৰীৰ লগত লয়লাৰ তুলনা। লয়লাক লক্ষ কৰি কান্দোন। উন্মাদতা আৰু আকুলতা। বিৰহ। বন্ধুৰ প্ৰতি ক্ষমা। দেহসজা এৰি প্ৰাণপক্ষীৰ গমন।

দশম সৰ্গ—আন্তৰিক আৰু বাহ্যিক মহান দৃশ্যত হিমালয়ৰ মহত্ব প্ৰকাশ। মানৱ মহত্বৰ আভাস। জাহ্নবী প্ৰবাহৰ লগত সাগৰৰ মিলন মাধুৰী। লয়লাৰ মৃত্যুত লিখকৰ শোক প্ৰকাশ। বিশ্বাস ঘাটকী চৰিত্ৰ হীনৰ আভাস। বন্য পশুৰ লগত তুলনা। জুইত পোৰা সোণৰ আভাস। কায়েচ লয়লাৰ মধুৰ মিলন আৰু স্বৰ্গ সুখ। সামৰণি।

# প্রস্তাবনা

প্রেম বিশ্বপিতাৰ কাম্যকাননৰ এপাহি অপূর্ব্ব পাৰি
জাত! তাৰ সৌৰভত অকল মানুহেই নহয়, বনৰ চৰাই, প
পানীৰ মাছ, কাছ আৰু আকাশৰ গ্রহ-নক্ষত্রবোে
আপোনপাহৰা। ইয়াৰ মোহিনী শক্তিয়ে পিশাচক দেৱত
কৰে, পাপীক ধাৰ্ম্মিক কৰে আৰু নিষ্ঠুৰক মৰমিয়াল কৰে
ইয়াৰ এফালে যেনেকৈ শান্তিময়, আনফালে তেনেকৈ
কণ্টকময়! মহম্মদ, যীশুখৃষ্ট আদি কৰি ধৰ্ম্মবীৰ সকে
যেতিয়া বিশ্বপ্রেমেৰে সকলোকে আকোৱালি ধৰিছিল
তেতিয়া মূর্খবিলাকৰ অত্যাচাৰত পৰি বহুতে লাঞ্ছনা ভো
কৰিছিল; আন কি বহুতে জীৱন পর্য্যন্তও এৰিছিল। হায়
ভ্রান্তি! দাম্পত্য প্রেমৰতে৷ কথায়েই নাই। তাৰ পে
পদে কণ্টক।

আমি ইয়াত কেবল দাম্পত্য প্রেমৰ কথাহে দেখাবলৈ
গৈছো। অনভিজ্ঞ হৈ বিজাতীয় ভাষাৰ কোনো কথা নিজ
ভাষাত ফুটাই তোলা কেনে সঙ্কতজনক, ভুক্তভোগী মাত্রে
জানে। তাতে এয়ে মোৰ প্রথম উদ্যম। এই উদ্যম মো
পক্ষে বাওনা হৈ চন্দ্ৰ ধৰিবলৈ যোৱাৰ নিচিনা কথা
তথাপি ৰাইজৰ গৰিহনা নাখাই উৎসাহ পালে হৃদয়ত নতু

বল পাম বুলি আশা কৰিলো। অসমীয়াই অসমীয়াক উৎসাহ নিদিলে আৰু দিব কোনে?

অৱশেষত কওঁ, এই গ্ৰন্থৰ ঠাট্টাৰ চলেৰেই বা এনেয়েই ঘনাই খবৰ লওঁতা মোৰ মৰমৰ বন্ধু শ্ৰীমান্ ৰোহিনীকান্ত শইকীয়া আৰু শ্ৰীবল্লভদেৱ শৰ্ম্মাক অন্তৰেৰে সৈতে ধন্যবাদ জনাইছোঁ। আশা কৰোঁ তেওঁলোকৰ যেন এই উৎসাহ সদাই জীবিত থাকে।

আৰু মোৰ শুভাকাঙ্ক্ষী শ্ৰীযুত লক্ষণদেৱ শৰ্ম্মাই লিখকৰ ধন্যবাদৰ সৰহ খিনি স্থান অধিকাৰ কৰিছে। তেখেতে যদি বিৰাট কুমাৰ উত্তৰৰ ৰথত বৃহন্নলাৰ দৰে সাৰথি নহল হেতেন, তেন্তে লিখকেও কুৰুসৈন্য দেখি উত্তৰৰ দৰে পিচ হুহঁকিল হয়।

মোৰ শ্ৰদ্ধেয় শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মাদেৱে অনুগ্ৰহ কৰি এই কিতাপ খনি হাতে লিখা অৱস্থাতে চকু ফুৰাই দি আৰু পিচতো প্ৰুফ চোৱাত সাহায্য কৰি লিখকক উৎসাহ দিছে। তাৰ উপৰিও এটি ভূমিকাৰে কিতাপখন অলঙ্কৃত কৰিছে। তাৰ বাবে লিখক তেখেতৰ ওচৰত চিৰ ঋণী আশা কৰো এনে অনুগ্ৰহৰ পৰা যাতে ভবিষ্যতেও বঞ্চিত নহওঁ।

বাসন্তী পূৰ্ণিমা। গ্ৰন্থকাৰ।

# আগ কথা

এই কাব্যপুথি খনিৰ লিখক শ্ৰীমান উমাকান্ত তামু[illegible] বাপাৰ ঐকান্তিক আগ্ৰহ যে পুথিখনিৰ বিষয়ে দুই চা[illegible] আষাৰ কথা লিখি তেওঁক উৎসাহ দিওঁ। তামুলী বা[illegible] তাহানি মোৰ ছাত্ৰ আছিল। সেই চেনেহত তেওঁৰ প্ৰ[illegible] অযথা কথা লিখা হয় বুলি মনত সন্দেহ ৰাখি হলে[illegible] নিলিখিলে তেওঁ নিতান্ত হতাশ হব বুলি ভাবি নিচেই দু[illegible] এটি কথাৰে তেওঁৰ বিষয়ে সংক্ষেপ কথা কলেই যথেষ্ট হ[illegible] বুলি বিবেচনা কৰোঁ।

পুথিখনিৰ লিখক শ্ৰীমান তামুলী বাপা এতিয়াও হা[illegible] স্কুলৰ ১০ মানৰ কোমল বয়সীয়া ছাত্ৰ। কিন্তু সাহি[illegible] ক্ষেত্ৰত প্ৰবেশ কৰিবলৈ মনত তেওঁৰ বৰ আগ্ৰহ। তে[illegible] আগ্ৰহৰ পৰিমাণ জুখি চাবলৈ মই পুস্তিকাখনি পল[illegible] প্ৰকাশ কৰিবলৈ কোৱাত মনত দাৰুণ আঘাত পালে অ[illegible] যথাসম্ভৱ শীঘ্ৰে প্ৰকাশ কৰি উলিয়াবৰ দিহা ময়ে কৰিব[illegible] বাধ্য হলোঁ। হাতে লিখা অৱস্থাত লিখকৰ আৰু ২।৩ [illegible] উপন্যাস পৰি আছে। ৰাইজৰ সহানুভূতি পালে লাহে লা[illegible] তাকো প্ৰকাশ কৰিব বুলি লিখকে মোক দঢ়াই কৈছে।

এইখন পুথি যুগুত কৰিবলৈ তেওঁ দুখন মাথোন প্ৰকাশিত কিতাপৰ সহায় লৈছে। এখন 'প্ৰেম কুঁহি' আনখন 'আভাস কাব্য'। মোছলেম সাহিত্যৰ আখ্যায়িকাৰ পৰা আমাৰ সাহিত্যলৈ যথেষ্ট পৰিমাণে সমল সংগ্ৰহ হোৱা নাই। তেনে থলত যি দুই এখনি এনে কিতাপ পাওঁ, তাৰ প্ৰতি ভালপোৱা নেদেখুৱালে সি পুষ্টিলাভ কৰিব কেনেকৈ ?

বৰ্ত্তমান পুথিত লয়লা-মজনুৰ বুকুৰ কথাত আন আন প্ৰাদেশিক নাটকাদিত বৰ্ণিত ঘটনাৰ লগত অমিল থাকিলেও মূল ঘটনাত একো পাৰ্থক্য ৰখা নাই। বিৰহ মূলক এই আখ্যায়িকাই স্বভাৱতে মানুহৰ মন অতি সহজে আকৰ্ষণ কৰে। এই আকৰ্ষণ প্ৰবল কৰিবলৈ লিখকৰ ভাষা কিমান খিনিলৈকে সমৰ্থ সেইটো পাঠক সকলে নিজে বিচাৰ কৰিব। এইটো নিশ্চয় যে এই পুথিৰ বৰ্ণনা ঠায়ে ঠায়ে সুন্দৰ আৰু চিত্তাকৰ্ষক হৈছে। কোনো কোনো ঠাইত ভাৱৰ প্ৰাঞ্জলতা ফুটি উঠিছে যদিও প্ৰগাঢ়তা প্ৰকাশ পোৱা নাই। বহুতো ঠাইত বাহিৰৰ পৰা চালে পুনৰুল্লেখ যেন হোৱা দেখা গলেও অনিবাৰ্য্যৰূপে তাক সময়ত প্ৰকাশ কৰিব লগাত পৰা যাবে লিখকক দোষ দিব নোৱাৰি।

এইটো কিন্তু মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব যে লৰালি ভাৱত থকাত অভিজ্ঞতাৰ অভাৱ পুথিৰ বহুতো ঠাইত ফুটি উঠিছে। সময়ত হয়তো ইয়াৰ দোষত আদৰ্শ খৰ্ব্ব হৈছে।

কিন্তু প্ৰথম খনিকৰৰ সকলো খিনি দোষকেই আমি দোষৰ চকুৰে নাচাওঁ। সৰসৰ চকুৰে চাই বিজ্ঞ সকলে উপদেশাদি দি লিখকক উৎসাহিত কৰিব বুলিহে আশা কৰিলোঁ।

অমিত্ৰাক্ষৰ ছন্দ সম্প্ৰতি এক প্ৰকাৰ অচলেই হৈছে আমাৰ ভাষাত। এই ছন্দত আমাৰ সাহিত্যত পুথি কম। সেই হিচাবেও ইয়াক আদৰ কৰা আমাৰ পক্ষে বেয়া নহয় যেন পাওঁ।

মুঠতে নতুন লিখকৰ দোষ-ত্ৰুটী যথেষ্ট। সেই বিলাক আঙুলিয়াই দিলে লিখক সি সকলৰ ওচৰত কৃতজ্ঞ হব। আমি স্নেহাশীৰ্ব্বাদেৰে লিখকক সাহিত্য ক্ষেত্ৰলৈ আমন্ত্ৰণ কৰিছোঁ। আশা কৰোঁ তেওঁৰ যথাশক্তি এই ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ হেলা নকৰিব। ইতি—

পৰ্ব্বতীয়া, তেজপুৰ
১২ ভাদ, ১৩৩৭ চন।

বাইজৰ আশীৰ্ব্বাদাকাঙ্ক্ষী
শ্ৰীমহাদেব শৰ্ম্মা।

# লম্বলা।

## প্ৰথম সৰ্গ।

করুণাৰ পুণ্যধাৰা ভাব প্ৰবাহিণী,
আই ( মোৰ ) বীণাপাণি ত্ৰিদিব ঈশ্বৰী
দিয়া আই, দিয়া শক্তি দুৰ্ব্বল হিয়াত।
মাতৃ! হৃদি দগ্ধ চিৰ অশান্তিত!
হিয়াৰ মাজত মোৰ, নিতৌ
জ্বলিছে জুই, দপ্ দপ্ কৰি মাতৃ!—
সংসাৰৰ নিদাৰুণ শোকৰ তাপত।
পুৰণি ৰাগিণী এটি স্মৃতিৰ বুকত,
ৰিণি ৰিণি বাজি মোৰ দগ্ধ হৃদয়ৰ,
ভাঙ্গিলেহি সুখৰ সপোন। সহস্ৰ
কণ্টকে যেন সহস্ৰ শেলেৰে, হানিলে
হৃদয়-খনি, কি যে হায়! দাৰুণ যন্ত্ৰণা!
কতদিন কত ৰাতি তীব্ৰ যাতঁনাত,
উজাগৰে অনাহাৰে ব্যাকুল চিত্তেৰে,

লয়লা

কটালোঁ জীৱন আৰু ফুৰিলোঁ সংসাৰ
পাম বুলি শুনি সেই পুৰণি ৰাগিণী,
কিন্তু হায় ! মাৰ গল নাপালোঁ দুনাই ।
উটিল জীৱন তৰী সংসাৰ সোঁতত
সাৰথি স্বৰূপে লই বিবেক গুৰিত
সিও হায় ! লুপ্ত হল নিৰাশা জলত ।
লক্ষ্যহীন তৰী মোৰ মাজে মাজে ঘোৰ বিপদত
উটিছে কেৱলে হায় !
কেৱলে উটিছে ।
হাহাকাৰ প্ৰতিধ্বনি শত
ব্যাকুলতা, গৰজি উঠিছে হায় ! মোৰ
এই নিৰীহ প্ৰাণৰ পৰা, ঘন ঘোৰ
বিষাদৰ জীৱন সন্ধ্যাত । চাওঁতে
চাওঁতে মোৰ বুদ্ধি মগজুৰ, সমূলি
ঢুকাই গল নাপালোঁ বিচাৰি । ভাবিলোঁ—
জীৱনৰ ভাগ্যলিপি এয়েনে কি মোৰ ?
উটি উটি আহি মোৰ লক্ষ্যহীন তৰী,
লাগিছেহি মাতৃ ! তৱ বিমল মাধুৰী সনা

পদ কমলত। বিচাৰি নাপাই
একো পূজাৰ সম্ভাৰ, যাচিছোঁ এটুপি
অশ্রু স্তুতি হেপাহেৰে, তুষ্ট হোৱা মাতৃ!
লই তাকেই দাসৰ। নাজানো ভকতি
স্তুতি নাজানো বন্দনা, ভাষা নাই ভাব
নাই, নাই একো পদ, শুৱলা কবিতা
নাই বিবিধ ছন্দৰ; কি আছে কি দিম
মাতৃ সৰোজ বাসীনি! তুষ্ট হোৱা তাকে
লই আভগা দাসৰ। ভাব প্রৱাহিণী,
মাতৃ বিদ্যা বিধায়ীনি। অম্বুজবাসীনি
দেবি! নাজানো মহিমা তব মূঢ়জনে
হায়! উন্মাদতা, আকুলতা ভৰা হৃদয়েৰে,
কি বুলি ক'লেনো দেবি! অভাগাৰ
প্রতি হব দয়া পৰকাশ, হে মাতৃ
ভাৰতি! দিয়া বল হৃদয়ত
শক্তি লিখনীত, কৰিব পাৰিম যাতে বন্দনা
তোমাৰ, গুচিব আন্ধাৰ যাতে দুৰ্ব্বল
হিয়াৰ।

তোমাৰ কৃপাত দেবি ! দস্যু
ৰত্নাকৰে, দিব্যজ্ঞান লভি হল
কবীশ্বৰ সেই হে তোমাৰ,
যশ ৰাশি গায়, অজ্ঞান-নাশিনী বুলি
সকলোৱে মিলিত ছন্দেৰে।
কবিকুল শিৰোমণি সেই কালিদাস
ঘৃণিত জীৱন লই মহা মুৰুখৰ,
মধুময় জীৱনৰ স্নিগ্ধ প্ৰভাতত,
সহিলে গঞ্জনা হায় ! লোক সমাজত।
অৱশেষে প্ৰিয়তমা পত্নীৰ কাষত,
পালে ঘোৰ অপমান, মচিলে নগচা
এক হৃদি বিদাৰক ! আৰ্ত্তৰাৱে কান্দি
কান্দি শোক সন্তাপত, ওলাল ঘৰৰ পৰা,
গভীৰ জলত লই
দিবলই বিসৰ্জ্জন ঘৃণিত জীবন।
তেনুৱা কালত দেবি !
তোমাৰ কৃপাত, দিব্য শক্তি লাভ কৰি
জীৱন বীণাত, বজালে মধুৰ তান

ললিত লয়েৰে, মুগ্ধ কৰি যশ পালে
জগত বাসীৰ। সুশ্ৰাব্য মধুৰ তানে
আনি দিলে জগতক, অমৰণ লিখনীৰে
বিশ্ব সাহিত্যত, যুগান্তৰকাৰী সেই
"শকুন্তলা" "মেঘদূত" "কুমাৰ-সম্ভব"
"ৰঘুবংশ", আদি কৰি নানান কাব্যেৰে।
সেই হে আজিও গাই নৱ সমাজত
তোমাৰ মহিমা গীত অমৃতভাষীণি !
মধুবৰ্ষী মিলিত কণ্ঠেৰে।
আৰু সেই—
সৰ্ব্বজন প্ৰশংসিত কবি ছেক্ষপীৰ
আন্ধাৰ জীৱন লই তোমাৰ কৃপাত
জ্বলালে জীৱনবন্তি কৰুণাৰ পূণ্য
কিৰণেৰে। হেম্‌লেট্ মেক্‌বেথ আৰু
ৰোমিও জুলিয়েটৰ প্ৰণয়-কাহিনী আদি কাব্য
চহকী কৰিলে নিজে স্বজাতিৰ সাহিত্য
মন্দিৰ। যুগমীয়া কৰি থলে বংশৰ
কল্যাণ, মৰিও অমৰ হল বিশ্বৰ মাজত।

তোমাৰ কৰুণা দেবি পলকে
পলকে, কেনে মধুময় হয়, ঢালে কেনে
শান্তি-বাৰি নৱ সমাজত। দিয়া মাতৃ!
দিয়া শক্তি অভাগা দাসক, পূৰ্ণ কৰা
আশা মোৰ গুচাই নিৰাশা। এয়ে মাত্ৰ
অভিলাষ দুৰ্ব্বল চিত্তৰ। ভাৰতৰ
সুদূৰ পশ্চিমে, আৰব দেশৰ সেই
অতীতৰ "লয়লা" সতীৰ, "কায়েচৰ"
সতে অঁকা, বিমল মোহন ছবি দুৰ্ল্লভ
প্ৰেমৰ, বৰ্ণাব খুজিছোঁ দেবি! মোহন মাং
ভাব নাই, ভাষা নাই,—নাই যে
একোকে, খঞ্জৰ দুৰাশা যেন হিমাদ্ৰি
লঙ্ঘন, কৰা মাতৃ পৰিত্ৰাণ, বাসনা
পূৰণ কৰি চিৰ অভাগাক। কুযশে
নকৰে যেন মলিন চিত্তক। পূৰোৱা
ভাৰতী মাতৃ! অভাগাৰ এই অভিলাষ,
অন্ধ পৰাণৰ।

সেই পুণ্যতীৰ্থ মক্কা আৰু মদিনা নগৰী,

আজিও শোভিছে যত,
ইচলাম্ ধৰ্ম্মৰ ধ্বজা উৰুৱাই গগন বিয়াপি।
ৰসাল খেজুৰ তাল শ্যামল পত্ৰৰে,
উপকুল মৰুস্থান শোভি আছে যত,
শান্তিৰ নিজৰা ঢালি মৰুভূমী মাজে।
পুৰণি কালত সেই আৰব দেশত
আলিগহ নামে এক আছিল বাদুছাহ।
ধনে জনে ঐশ্বৰ্য্যৰ সুকোমল মধুৰ
শয্যাত, আছিল বাদ্ছা সুখে, হাতে
হাতে ল'ই ৰাজদণ্ড বিশাল ৰাজ্যৰ।
পূণ্যতীৰ্থ বাদছাহৰ সুশিক্ষাৰ মহান্
গুণত, প্ৰজাবোৰে দেখাইছিল জগত-
বাসীক, অতিথি সেৱাত নিজে অগ্ৰগণী বুলি।
আবেগ উথলি উঠে
যি দৃশ্য দেখিলে। সেই হে আচল ধৰ্ম্ম,
ধৰ্ম্মবীৰ মহম্মদ উজ্জ্বল ৰত্নৰ,
লোক সমাজত।
ঐশ্বৰ্য্যৰ কোমল কোলাত,

সুখেৰে শয়ন কৰি, নাছিল
মনত শান্তি বাদছাহ অপুত্ৰকা হেতু।
কতদিন কত ৰাতি হুমূনীয়া
কাঢ়ি, কটালে জীৱন হায়! তথাপিতো
নুগুছিল মনৰ পিয়াহ। মগ্ন হই
গভীৰ চিন্তাত, বিশ্ৰাম কক্ষৰ মাজে
আছিল এদিন বহি, বাদছাহে মনৰ
দুখত। এনেতে দেখিলে এটি বৃদ্ধ
মোল্লাবাসী, আহিছে তেওঁৰ কালে গজেন্দ্ৰ
গমনে। যথাযোগ্য সম্মানৰ সৈতে,
বাদছাহে কৰিলে তেওঁক ভকতিৰে
উচিত সৎকাৰ। বাদছাহক দেখি,
চিন্তাত মগন হোৱা, ক'লে সেই বৃদ্ধ
মোল্লাবাসী আচৰিত হই, গদস্বৰে
পূৰ্ণ চাহনিঙ, অধৰত মৃদু হাঁহি
মধুৰ বচনে।
"বাদছাহ! কিয় আজি
নিৰাশাৰ চিন্তাত মগন হই, আছা

বহি মনে মনে মনৰ দুখত ? ধনজন
হয়-হস্তী বিশাল সাম্রাজ্য, দাস দাসী
আদিৰেই, আছা সুখে স্বৰ্ণময়
পুৰীৰ মাজত। কিহৰ অভাব মোক
ক'বানে বুজাই ? নতুবা শত্রুৰ দলে
মহা পয়োভৰে, আহিছেনে গ্রাসিবলৈ
তোমৰ ই স্বৰ্ণময় বিশাল সাম্রাজ্য
বসুধা ভিতৰে ?"
"অহা নাই গ্রাসিবলৈ
সাম্রাজ্য বিশাল, হোৱা নাই একোৰে অভাব
পার্থিব বস্তুৰ।" ক'লে বাদছাহে
"কিন্তু মোৰ পৃথিবীৰ মানব জনম,
নিস্ফল কামনা ল'ই হতাশী প্রাণত
জ্বালাতন হৃদয়েৰে কটাব লাগিব
হায় ! সন্তান বিহীন হ'ই বিষময়
সংসাৰৰ প্ৰবল সোঁতত। অনাহকে
অগণিত অপাৰ সম্পত্তি, হয়-হস্তী
ধন-জন আক্রোহি হাতেৰে, গোটালোঁ

মিছাই হায়! এই জীৱনত।" শুনি
সেই বাদ্‌ছাৰ নিস্ফল কাহিনী, হাঁহি
হাঁহি ক'লে সেই মোল্লাবাসী জনে
আশ্বাস বাণীৰে।

"বুজিলোঁ বাদছাহ,
আৰু নালাগে বুজাব। ঘূৰিছে সংসাৰ-চক্ৰ
সদা অহৰহ, সাৰ কৰি ল'ই
তাৰ উদ্দেশ্য মহান। সুখৰ পাচত
দুখ, আন্ধাৰে পোহৰ, জাৰৰ পাচত
জহ, বিধিৰ বিধান। বিষময় কাল
ল'ই তোমাৰ ভাগ্যত, নাথাকিব ঘোৰতৰ
অমাৱস্যা ৰাতি। এয়েহে বিধান
হেৰা পৰম পিতাৰ। অধৈৰ্য্যত নহবা
কাতৰ; অচিৰে পূৰিব তব মনৰ হেপাহ।
কিন্তু তাৰ আবেগত হ'লে
প্ৰতিঘাত, ব্যতিৰেকে বাট লই,
মহাযজ্ঞ জীৱনৰ দিব অবসান, বিলাই
সৌৰভ মাত্ৰ মৰু প্ৰান্তৰক, অজানে

মৰহি যাব বনৰীয়া ফুল।" ইদৰে
বুজাই, মোল্লাবাসী গুছি গল গম্ভীৰ
ভাবেৰে।
জীৱনৰ শেষ বয়সত
সৰ্ব্ব সুলক্ষণ এটি উপজিল পুত্ৰ
বাদছাৰ। ধন ৰত্ন অপাৰ সম্পত্তি
মুক্ত হস্তে দিলে দান, দীন দৰিদ্ৰক
পুত্ৰৰ কল্যাণ অৰ্থে। জাক জমকেৰে
কৰিলে সৎকাম বহু,
জন্ম উৎসৱত। "কায়চ" ৰাখিলে নাম,
সেই বালকৰ। সুখ, শান্তি চেনেহৰ
মধু আস্বাদত, বাঢ়িছিল দিনে দিনে
চন্দ্ৰৰ কলাৰ দৰে ৰজাৰ কুমাৰ,
পূৰ্ণ সৌন্দৰ্য্যত।
কাছেম নামেৰে এক
ধনী সদাগৰে, কৰিছিল বাস
সেই আৰব দেশত। লয়লা নামেৰে এটি
সৰ্ব্ব সুলক্ষণা, সৰ্ব্ব গুণ অধিকাৰী

সৌন্দর্য্যৰ ৰাণী, আছিল চেনেহী কন্যা।
কন্যাৰ ৰূপৰ কাষত, লাজ পাব
তিলোত্তমা, উৰ্ব্বশী, মেনকা, আদি কৰি
দেৱবালা গন্ধৰ্ব্ব বালিকা আৰু উষা
চিত্ৰলেখা লৌহিত্যৰ সিপাৰৰ শোণিত
পুৰৰ, অধঃমুখী হই ল'ব স্থান
নিজানত। কায়েচৰ সৈতে দুয়ো সৰু
বয়সত, পঢ়িছিল একে লগে একে
শিক্ষা মন্দিৰত আশা কৰি অমূল্য মিলন।
সৰু বয়সত হয় দুয়োৰে মাজত
ভালপোৱা ভাব এক নিস্বাৰ্থ ভাবৰ।
বয়সৰ লগে লগে ভালপোৱা
ভাবে, আনি দিলে মধু-ছবি জীৱন্ত
মুকুতি ল'ই, হিয়াৰ মাজত ভৰা,
প্ৰেমিক প্ৰেমিকাৰ। প্ৰণয়ৰ আকুল
আবেগে, ৰসময় কৰি দিলে নিৰস
জীৱন; প্ৰণয়ৰ মধু অভিলাষে,
আনি দিলে এটি লক্ষ দুয়োৰে মাজত,

সুকঠিন বোধ কৰে নহলে মিলন,
প্ৰণয়ৰ চাৰি চকু মধুৰ আভাষে
আঁকা লক্ষ্য জীৱনৰ। হৃদয়ৰ প্ৰেম
পুষ্কৰিণী, পুৰ হল মুখলৈকে প্ৰেম
সলিলেৰে। মধুমিলন কথা কায়েচ—
লয়লাৰ, গাৱেঁ ভুঁৱে সকলোতে হ'ল
প্ৰচাৰিত, কিছুমান স্বাৰ্থান্ধৰ পৰি চক্ৰান্তত।
আচম্বিতে শুনিলোঁ হঠাত
প্ৰিয়তম বন্ধু মুখে অলপ দিনতে,
কৈছিল তেওঁক হেনো, স্বাৰ্থৰ পিশাচ এটাই,
এখনি হৃদয় ল'ই, ভৰি থকা
পৰশ্ৰী কাতৰে! "চাবাছোঁ মণ্ডল, খুলি
"চুটকেচ" ওলাব বহুত তাত, কৰা
সুন্দৰ হাতেৰে, বেজিৰে কবিতা গাঁঠা
প্ৰেমৰ ৰুমাল, লক্ষ্য কৰি দিয়া উপহাৰ।"
সামান্য কথাত হেৰ নিৰ্ব্বোধ পিশাচ
এনে তোৰ স্বাৰ্থ হিয়া!
তোৰ এনে তুচ্ছ ভাব!!

শুনি পুত্ৰৰ এনুৱা মতি
কালফণী বাদছাহে বন্ধ কৰি দিলে
তেওঁৰ মধুৰ মিলন। চাই সন্দেহ
চকুৰে, জীয়েকৰো পঢ়াশুনা কাছেম
সদাগৰে, দিলেবন্ধ কৰি। অবসান
দুয়োৰে সপোন। দেখাও
নোপোৱা হ'ল, আৰু শেষ হই গ'ল যত
প্ৰেমৰ ধেমালি। উপাই বিহীন হ'ই
কায়েচে তেতিয়া, বেশচন কৰি ল'ই
পাতিছিল মধুৰ আলাপ। সিও হায়!
ধৃত হ'ল বিষয়ৰ কণ্টকী হাতত।
লাজ অপমান আৰু শোক বেজাৰত,
সুখ ভোগ বিলাসিতা আৰু সেই
ধন জন সকলোকে কৰি পৰিত্যাগ, হিয়া
পূৰ্ণ কৰি লই প্ৰেয়সীৰ প্ৰেমময়ী ছবি
খনিৰেই, শোকৰে মেলানি ল'লে,
প্ৰণয়ীৰ, বিৰহৰ হেতু।
"মজনুৰ" নাম লই, উন্মাদ বেশেৰে,
ল'লে স্থান নিজানত ; শত্ৰুৰ কাষত।

## দ্বিতীয় সৰ্গ।

ৰজনী জ্যোস্নাময়ী। পুৰতি নিশাত,
নীলিমা ৰেখাৰে পূৰ্ণ আলোকিত নভ
সৃষ্টিৰ বৈচিত্ৰ ল'ই। ভাষাৰে নোপোৱা ঢুকি
ভাব সাগৰৰ, দূৰ কল্পনাৰো,
সুদূৰ বিস্তৃত দেৱতাৰ ক্ৰিয়াভূমি
পুষ্পিত কুসুমকুঞ্জ তাৰকাৰ চাৰু ৰম্যস্থান।
সেই বিশ্ব সৃষ্টি কৌশলৰ
অদ্ভুত গাঁঠনি ল'ই বিৰাজে সৌন্দৰ্য্য
আহা! যুগযুগান্তৰে। বয় গন্ধ সহ
মৃদু সমীৰণ। কলকণ্ঠ বিহগৰ
মধুৰ সঙ্গীতে আত্মহাৰা কৰি তোলে
নাওফল নৃপতিৰ স্নিগ্ধ ৰাজপুৰী।
মাত্ৰ বিৰহিণী কেতেকীৰ কেতেকী
মাতেৰে, শোকাবহ কৰি তোলে শান্তি

প্ৰদায়িনী, শান্তিময় ৰাজপুৰী চিত্তৰ
বিনোদ। প্ৰিয় বিচ্ছেদত পৰি, নিষ্কাম
চেতনা-শক্তি জগাই প্ৰাণত, অবিৰাম
হু হু শবদেৰে, দহি পুৰি শেষ হ'ব,
আকুল ভাৰক ল'ই খোজা হৃদয়েৰে
দিন ৰাতি সুখ দুখ কৰি পৰিত্যাগ
গায় মাথোঁ অকাতৰে কেতেকি! কেতেকি!!
ক্ষুদ্ৰ খদ্যোত পিপৰা, বিতৰি জেউতি
আহা! সেই শকতিৰে, খেলা কৰে নাচি
নাচি গছৰ শিৰত। লভিবলৈ উচ্চ
স্থান তাৰকাৰ দৰে, উৰি যায় আকাশ
ধিয়াই। কিন্তু হায়! বাওনাৰ জন্ম ল'ই
পাৰে কি ধৰিব গ'ই আকাশী জোনক,
শিলাময় কিম্বা মহীৰুহাবৃত্ত গিৰি
পাৰে কি লঙ্ঘিব গ'ই ভগ্নপদ লই?
নিষ্ফল কামনা ল'ই হা হুতাশেৰে
আগবাঢ়ে নিৰাশাৰ জ্বালাতন হৃদি
দগ্ধ মৰুৰ মাজত।

নিশা অৱসান।
ফেঁহু জালি দিলে, মঙ্গল আৰতি গালে
বিহগ সকলে। স্বাৰ্থত্যাগী সমীৰণে
ঢালি দিলে প্ৰাণে প্ৰাণে ফুলৰ-সৌৰভ।
হাঁহিলে কুসুমবালা বিদাৰি
হৃদয়স্থল প্ৰিয় সঙ্গমত। যেন—
ললাট কলঙ্ক ৰেখা পূৰ্ণ আবেগৰ
মোহৰ মদিৰা ল'ই ৰাঙ্গলী ওঁঠত,
ৰাজ্যলাভ দৰিদ্ৰৰ গজমতী মালা
যিদৰে বিৰাজে আহা! মল্লিকা খৰিকা-
জাঁই, কদম, বকুল, ডেৱনা ফুলৰ
মালা স্নিগ্ধ ব্ৰতভীৰে, কাকলি মধুৰ
যেন কবি প্ৰেমিকৰ! নতু, লাবণ্যময়ী
কামুকী ললনা, বিম্বাধৰে মৃদু হাঁহি
সদানন্দময়ী, আপন সৌন্দৰ্য্যে যেন
আপুনি বিভোল। হেঙ্গুলী ৰহন ঢালি
পূব আকাশত, উঠিল বৈচিত্ৰ্য ল'ই
সোণোৱালি বেলি। তৰু তৃণ গিৰি বন

বিজন প্ৰান্তৰ, ৰাজ অট্টালিকা আৰু
পৰ্ণ কুটিৰতো, পৰিল কিৰণমালা
নিস্বাৰ্থ ভাবেৰে। এয়েহে পাৰ্থক্য মাত্ৰ
স্বৰগ মৰ্ত্ত্যৰ। জন কলৰৱ পূৰ্ণ
পৰীৰ মাজত, বিৰাজে সৌন্দৰ্য্য আহা!
নাওফল নৃপতিৰ গগন চুম্বিত
সেই সুউচ্চ প্ৰাচীৰে, চৌদিশ বেষ্টিত
যাৰ প্ৰমোদ কানন। কৰি শেষ নিত্য
প্ৰাতঃকৃত্য, ক'লে চাই সাৰথিৰ ফালে,
"সাৰথি! কৰাগৈ অশ্ব সুসজ্জিত। যাম
আমি সোনকালে মৃগয়া কাৰণে, নাই
প্ৰয়োজন বিলম্বত।"
পালি প্ৰহৰিয়া স'তে
মহাপয়োভৰে, বনত সোমাল ৰজা
হাতে ল'ই শিঙ্গা মৃগয়াৰ। খন্তেকিয়া
সম্ভোগ তৃপ্তিত, জীৱৰ প্ৰধান বুলি
কৰি অভিমান, স্বাৰ্থপৰ হিয়া ল'ই
কিয় হায়! চেষ্টা কৰে অমাত প্ৰাণীৰ

ভাঙ্গিবলৈ সুখৰ সপোন !
জলভ্ৰমে মৰুভূমি দৰে, বাঞ্ছিতৰ পাচে পাচে
ফুৰিলে বহুত। অৱশেষে ক্লান্ত পৰাণেৰে
নিষ্ফল কামনা ল'ই তাপিত প্ৰাণত
উলতিল নগৰৰ ফালে। দেখা পালে
হঠাৎ এনেতে, গছৰ তলত এক
মৌনব্ৰতী যুবক সাধক।
চাপিল ওচৰ ৰজা মাতিলে ঘনাই,
তথাপি নাপালে একো, সমিধান ঘূৰি।
কিন্তু জানিলে ৰজাই, "নিমাত যোগীয়ে
মজি লয়লাৰ প্ৰেমে
মজনু নামেৰে
জপিছে প্ৰেমৰ মালা গহীন বনত ;
উছৰ্গি প্ৰেমিক প্ৰাণ নিৰ্ম্মল চিত্তেৰে,
ত্যাগ কৰি ভয় আৰু মমতা প্ৰাণৰ।"
কায়েচৰ দেখি সেই মোহন মূৰতি,
ললাটে চিন্তাৰ ৰেখা অন্তৰ্ভেদী দৃষ্টি
এক মনে এক প্ৰাণে কেৱলে ভাবিছে

দেখিলে বুজিলা হয়।
নেদেখি প্ৰাণত তাৰ সুখ,
শান্তি, বিলাস-বাসনা। জীবন্ত মূৰুতি
ল'ই হিয়াৰ মাজত শ্বাপদেৰে পৰিপূৰ্ণ
অৰণ্য মাজত, যাপন কৰিছে
হায়! বিশ্বপিতা বিধাতাৰ বিমল
ৰাজ্যত। কৃষ্ণপক্ষ চন্দ্ৰ প্ৰায় বিমল
মাধুৰী ছবি, একলা একলা ক'ই
মলিন বেশেৰে, শুকাই গইছে দেহি ?
কঁপাই চেতনা তাৰ গভীৰ চিন্তাৰত
তীব্ৰ বিৰহৰ।
পুনু মাতিব ধৰিলে নৃপে,
"মজনু!" "মজনু!" বুলি, কিন্তু তথাপিও,
নাভাগিল ধ্যান সাধকৰ। টিকাৰৰ
ৰঙ্গ চাবল'ই আহিছিল আৰবৰ
কিছুমান দুৰ্দ্দান্ত বালক। দেখি, ক'লে
নিমাত যোগীক,ৰজাৰ আগত,দুৰ্দ্দান্ত বালকে,
"নাপাই যেতিয়া কথা কি হব মাতিলে,

মাতিলে মাতিব যাৰ মাতৰ মাধুৰী,
মোহন ভঙ্গীম ল'ই হব উপস্থিত।
যেবে হ'ব সপোনো দিঠক, যি শুভক্ষণত।
হাঁহি হাঁহি আহি যাৰ হৃদয়
ভৰাই অনন্ত প্ৰেমৰ কথা সাদৰী
ভাষাৰে, দিব ওপচাই।"
"বাদ দিয়া ধেমালি ৰঙ্গৰ"। উত্তৰিলা নৃপ,
"মজি
'লয়লাৰ' প্ৰেমে 'মজনু' নামেৰে এওঁ
আছে যে ইদৰে বহি জানিলা কিমতে ?"
ইতিমধ্যে সৈন্যৰ মাজত জন কোলাহল
শুনিলে নৃপই।—"ৰক্ষা কৰা ! ৰক্ষা কৰা !"
উত্তৰলৈ আওকাণ কৰি, গুচি
গ'ল নৃপ, জন কোলাহল শুনি।

———

## তৃতীয় সৰ্গ।

হাঁহিভৰা বসন্তৰ
নৱ উলাহত, নৱ পত্ৰ কুসুমৰ
স্বভাব কোমলা সেই নৱ মুকুলত,
কোকিল কাকলি আৰু বন্য বিহগৰ
আনন্দ গীতিৰ মাজে, যিদৰে প্ৰকাশ পাই
মহা সমাৰোহ, অবিৰাম গতি
ল'ই প্ৰকৃতিৰ গন্তব্য পথত। প্ৰতিবিম্ব উঠি
পৰে সুগভীৰ সিন্ধু কিম্বা গিৰি, গুহা,
বন, তৰঙ্গিনী, মৰুস্থান, বিজন-
প্ৰান্তৰ, স্নিগ্ধ শ্যামল ক্ষেত্ৰ, নিৰ্ঝৰিণী,
কিম্বা, উপবন, উপকুল, বিশাল
বিশ্বৰ। ৰূপ, ৰস, গন্ধে তুমি হে প্ৰকৃতিদেবি,
দেখুৱা সবাকো তুমি বিশ্বৰ
প্ৰভেদ। অস্ফুত ভাষাক ল'ই

নব-যৌবনত, সিদৰে প্ৰকাশ পাই তব
বসন্তাগমনে। অনাদৃত জীৱনৰো
সুপ্ত কামনাৰাশি হ'ই উঠে অতিকে
জাগ্ৰত। বসন্তৰ পুষ্প ভৰা, জীৱন
উদ্যান ভৰি আশাৰূপী কোকিলৰ
বাজি উঠে পঞ্চ সুৰ। কল্পনা-ৰূপিণী বাণী
বীণা ঝঙ্কাৰত, তুচ্ছ কৰি কণ্ঠধ্বনি
মধুৰ সুৰত, মৰ্ত্ত্য মন্দাকিনীৰূপী
নিজৰাৰ দৰে, অবিৰাম বয় স্নিগ্ধ
প্ৰেমৰ প্ৰবাহ! কাৰবাৰ দীন দুখ
সহিষ্ণু প্ৰাণত, জটিল জীৱন যাত্ৰীৰ
বিষময় চিত্ৰ, অভিষিক্ত কৰি দিয়ে
নিৰাশা ধাৰাই; অকালতে যাৰ যায়
যৌবন বসন্ত, সাৰ কৰে কঠোৰ
চিন্তাত, তৰঙ্গ প্লাবিত কৰি ঘৃণিত জীৱন।
উঠিছিল প্ৰেমৰ ঝঙ্কাৰ,
'এৰনছয়াল' নামে কায়েচৰ বন্ধু
এজনৰ, পূৰ্ণ যৌবনত। পিশাচৰ

দৰে, বিচ্ছেদ ঘটাই ল'ই কায়েচ-লয়লাৰ,
কল্পনা চকুৰে, চাইছিল
মনে মনে, বজাব'লৈ জীবন বীণাত,
সুশ্রাব্য মধুৰ তান, লাভ কৰি পৰী
লয়লাক ; প্রণয়ৰ স্নিগ্ধ জল ধীৰ সৰসীৰ ।
জনক নজৰুদ্দিনে দেখি
ভাব এনে পুতেকৰ, ভাৰত মিলাই
ভাব পুত্রৰ লগত, বিয়াৰ কাৰণে
কাছেমলৈ পঠিয়ালে এটি আবেদন ।
কাছেমেও কৰিলে গ্ৰহণ কথা সাদৰেৰে
শুভ মিলনৰ ।
মহা আনন্দত লোকাৰণ্য হৈছে ঘৰ, সদাগৰ
আজি কাছেমৰ একেটি সাদৰি কন্যা কৰি
সমৰ্পণ, পাম বুলি শান্তি সুখ, তীব্র
যাতনাৰ পৰা সাগৰি জীৱন লীলা ;
থাকি দূৰ পুণ্যতীর্থ মক্কা নগৰীত ।
সেই হে কৰিছে আজি আৰব বালিত,
মনোমোহা কৰি এটি বিবাহ মণ্ডপ ।

অভিলাষ, শত সুখ শত জীৱনৰ
আহ্বানিছে কৰ্ত্তব্যৰ তীব্ৰ অনুৰাগে ;
ঘটিব যে অথন্তৰ কিবা হৰষত,
ভবা নাই কাছেম সাওদে ।
অক্ষয় ভাণ্ডৰ খুলি মুকলি হাতেৰে,
দৰিদ্ৰক দিছে দান
আনন্দ মনেৰে ।
সকলো মগন আজি মহা আনন্দত ।
নাছিল মনত শান্তি এনে সুদিনত
ৰঞ্জিতা পুৰীৰ মাজে, গভীৰা লয়লা,
এৰি হেলাৰঙ্গে সম্ভোগ বিলাস
পৰিপূৰ্ণ থাকি তাৰ মাজে !
শত শোক, শত চিন্তা, শত ব্যাকুলতা,
আৰু বিষাদৰ শত দীৰ্ঘ হুমুনীয়া,
অনৰ্থক বোধ হ'ল আজিৰ দিনত ।
"পদ্ম পলাশিব" নীলিমা নয়ন জুৰি,
কান্দি কান্দি মাথোঁ উথহালে ;
ৰক্তিম গণ্ডস্থল পৰে

উটুৱালে শত শোক জাহ্নবীৰ ধাৰা।
অৱশেষে, হতাশ প্ৰাণেৰে হতাশাৰ
দীৰ্ঘশ্বাস এৰি দেখিলে এন্ধাৰ ;
নিৰুপায়, কি কৰে এতিয়া ?
আনফালে, ভাবিছে মনত আজি,
এবনছয়ালে, লাভ কৰি প্ৰণয়ৰ,
ছবি লয়লাক,—স্বৰগৰ সুশীতল
মন্দাকিনী ধাৰা, পাব সুখ, পাব শান্তি
তপ্ত হৃদয়ত। ই আশা মৰিচীকা
নুবুজে পাপীয়ে। যিদৰে পথিক দলে
জলৰ আশাত, আতুৰত লৰি যাই
প্ৰখৰ কিৰণে তপ্ত কৰা বালি ওপৰত,
কুহকিনী মায়াবিনী স্নিগ্ধ তৰঙ্গিণী ;
কিন্তু বিভীষিকা ময়।
"আৰ্জ্জিলে ভুঞ্জিব লাগে,"
কয় সকলোৰে। প্ৰতি অণু পৰমাণু
হয় হস্তীলৈকে, উৰণ বুৰণ আৰু
গজন ভ্ৰমণ, সকলোৰে একবাক্যে

কৰিছে স্বীকাৰ, বিশ্ব বিধাতাৰ এই
বিমল সত্যক।
মহা সমাৰোহ সৈতে
পাপাত্মা এবনে, কৰিলে বিবাহ সেই
লয়লা পৰীক। এফালে বিৰাজে আহা
সুখৰ সপোন, আনফালে হৃদি দগ্ধ
শত ব্যাকুলতা লই বিৰহ জ্বালাৰ।
এবনৰ আজি সেই
জীৱনৰ জোনালী নিশাত, মিলি যাব
দুটি ধাৰা এটি ধাৰা হই, ইয়াকেই
ভাব কত কৰিছে আনন্দ। আহাঁহে
পাঠক আজি, চাওঁ গ'ই আহাঁ, মধুৰ
মিলন সেই ডেকা গাভৰুৰ
শয়ন কক্ষত।
বিচিত্ৰ শয়ন কক্ষ!
সুসজ্জিত পালঙ্ক উপৰে, উপবিষ্ট
এবনছয়াল। সজল নয়না এক
অনিন্দ্যসুন্দৰী বিষণ্ণ মুৰতি,

দৃষ্টি অবনত, লাজুকী ভাবত
পালেঙ্গ সমীপে। বহুপৰ বিধুমুখ
কৰি দৰশন, ধীৰে ক'লে লয়লাক
এবনছয়ালে, মধুৰ বচনে, ৰাখি
মৃদু হাঁহি অধৰত।

"আহা প্ৰিয়ে, বাহু
দুখনিৰে, মেৰিয়াই লই মোৰ দগ্ধ
হৃদয়ত, দিয়া শান্তি বাৰি ঢালি,
পূৰ্ণ হওক, পিপাসা প্ৰাণৰ।
তোমা হেন ৰত্ন লভি নিজে নিজে আজি,
অন্তৰত কত সুখ কত মধু ছবি, আঁকি আছোঁ
দিঠকে সপোনে, হে শুভ বদনে।"

আবেগেৰে ভৰা বাক্য
ইদৰে বহুত, ক'লে পাপী
এবনছয়ালে, গদ গদ স্বৰে সেই
পৰী লয়লাক। হিমাদ্ৰি শিখৰ প্ৰায়
অটল অচল ভাবে ৰ'ল বিৰহিণী ;

হৃদয় স্পন্দিত কৰি আপোন মনেৰে
ভাগ্যক ধিক্কাৰ দিলে।
নাপাই একোকে কথা
পুনৰ এবনে, আৰম্ভিলে ধীৰে ধীৰে
মধুৰ বচনে।
"কোৱা প্ৰিয়ে, আশা মোৰ
শান্তি বিধায়িনি! কিয় সখা কিয় হায়
হ'লা এনেকুৱা? আজি ধৰি পাহৰিব যত্ন
কৰা পাপী কায়েচক। পপীয়া জীৱন ল'ই
বনে বনে মাথোঁ, ঘুৰিব লাগিছে;
মানব সমাজ এৰি ভীতিৰ কাৰণে;
কলঙ্কিত দেহা তাৰ
দুগুণে জ্বলাই, লৈছে লগ পিশাচৰ
তীব্ৰ যাতনাত। আহা হেৰা সুকেশীনি
আহাঁ কাব চাপি।" এই বুলি হাত মেলি,
আনন্দেৰে হ'ল অগ্ৰসৰ, লয়লাক
ধৰিবৰ হেতু।
হঠাৎ সলনি হ'ল গম্ভীৰা

প্রকৃতি। প্ৰবল বতাহে যেন কঁপালে
মেদিনী। চমুণ্ডাৰূপিণী হ'ই প্ৰচণ্ড
প্ৰতাপে, বিবিধ ভঙ্গিম লই তৰুণী
প্ৰাণত, বিভীষিকা চিত্ৰ আনি দিলে
উলিয়াই, সতীত্ব তেজেৰে,
এবনৰ আগে।
যিদৰে দেখালে সেই চামুণ্ডা আকৃতি,
পিতৃমুখে পতি নিন্দা শুনি,
দক্ষৰ জীয়াৰী সতী
দক্ষ যজ্ঞতেই, ভিয়াগিলে প্ৰাণ হায়।
ৰাখিলে খিয়াতি।
পতি নিন্দা শুনি সেই
সতী লয়লাই, চামুণ্ডা আকৃতি ধৰি
বুলিব ধৰিলে, ভৈৰৱ নাদেৰে।
"সাবধান নিৰ্ব্বোধ
পিশাচ! কলঙ্কিত নকৰিবি স্পৰ্শ কৰি
দেহা মোৰ পপীয়া হাতেৰে। সতীৰ
আগত, নোশোভে পতিৰ নিন্দা, থাকোঁতে

জীয়াই। কায়েচকে সঁপি মোৰ ৰাখিছোঁ পৰাণ
কায়েচেই প্ৰাণ মোৰ কায়েচেই ধ্যান।
শত মিনতিতো মোৰ
পিতৃদেৱে নকৰিলে কাণ,
বাধ্য কৰি দিলে বিয়া,
কিন্তু প্ৰাণ মোৰ বহুপূৰ্ব্বে উছৰ্গিছোঁ
আন এজনক। ক্ষমা কৰা মোক।
শুনি এনে নিঠুৰ বচন এবনৰ মধুময়
যৌবনৰ জোনালী নিশাটি অমাৱস্যা
ৰাতি হৈ মাথোঁ ধৰা দিলে।
শুনি এনে বজ্ৰৰ সদৃশ
বাণী লয়লাৰ, হৃদয় স্পন্দিত হ'ল।
আকস্মিক দুৰ্ঘটনা দেখি এবনৰ,
জনক জননী আৰু পালি প্ৰহৰিয়া
আহিল সকলো চাপি, চাবলৈ অঘটন
কিহেতু ঘটিছে। চাওঁতে চাওঁতে হ'ল
নিশা অবসান।
অপমান শোক আৰু তীব্ৰ অনুতাপে

গুছি গল এবনছয়াল প্ৰতিশোধ অৰ্থে।
  অদ্ভূত কাহিনী শুনি
ডেকা গাভৰুৰ, সকলো স্তম্ভিত হল ;
অৱশেষে সকলোৱে একবাক্যে
দিলে গৰিহনা হায়, সাধ্বী লয়লাক।
জনকৰ মুখে শুনি নীৰস বচন
অতীকে লজ্জিতা হ'ই শোক সন্তাপেৰে
ক'লে সাধ্বী বিৰহিণী, ইচ্ছা পূৰ্ণ নিজ
আবেগেৰে।
  "পিতা হইও নুবুজিলা
অন্তৰৰ কথা মোৰ শত নিবেদনে।
কত দিন, কত ৰাতি কান্দি কান্দি ক'লোঁ।
হেলাৰঙ্গে মাত্ৰ মোৰ সৰল মিনতি দিলা
উৰুৱাই। নোৱাৰোঁ সহিব পিতা, এনে
ঘোৰ অপমান থাকোঁতে জীয়াই।
আৰু পিতা, শুনা এটি অভাগীৰ সৰল
গোহাৰি। কায়েচক ধ্যান কৰি হৃদয়
মাজত, জপিছিলোঁ এই প্ৰাণ

তাতো তুমি বাদ সাধি কৰিলা বঞ্চিত হায়।
তেনেহলে লোৱা পিতা লোৱা
এই দুৰ্ভগীয়া জীয়েৰাৰ তব দত্ত প্ৰাণ।
এই বুলি ব্যাকুলভাবে আপোনাৰ
বুকে, চুৰি উলিয়াই মাৰিবলৈ সাজু
হ'ল, বাধা দিলে বহুকথা বুজাই জনকে।
জীৱনৰ শত আশা শত অভিলাষ,
সকলোটি মাৰ গ'ল বৃদ্ধ জনকৰ।
চাওঁতে চাওঁতে হ'ল
লয়লা পাগলী। এৰিলে পেটৰ ভাত,
টোপনি চকুৰ, ভাবি ভাবি লাগে ভাল
ভাবে দিনে ৰাতি। ইদৰে ভাবোঁতে হায়!
সোণবৰণীয়া দেহা অতিকে জুৰুলা
হ'ল তীব্ৰ যাতনাত। উপাই বিহীন
হ'ই জনকে তেতিয়া, বনৰ মাজৰ
পৰা আনিলে বিচাৰি সেই প্ৰেমিক
কায়েচক, দিম বুলি কন্যা লয়লাক।
আলিগহ বাদ্‌চাহলৈ ইফালে পঠাই

দিলে এটি অনুৰোধ, সেইহে কৰিছে
আজি আৰব বালিত শুভ বিবাহৰ
আৰু দ্বিতীয় মণ্ডপ।
  সুসজ্জিত পুৰী মাজে
বিৰাজে সৌন্দৰ্য্য আহা! মিলি যাব খোজা
দেখি দুটি তাপিতক। প্ৰকৃতি দেবীয়ে
আহা! এনে সুদিনত, হাঁহিলে ৰঙেৰে
কত হাঁহি ওপোচাই। শিৰোপৰে আঁৰি
ল'ই চেৰে চেৰে জীৱনৰ সোণ'ৰণী পট,
নেৰিবা নেৰিবা বুলি ক'ই যোৱা তাৰ,
হীৰকমণ্ডিত সেই চন্দ্ৰতাপ খনি।
  কি বিচিত্ৰ বিধিৰ বিধান!
বিচিত্ৰ সভাৰ মাজে বহি কায়েচেও
ভাবিছে অনেক কথা, অতীত ভবিষ্য
লই স্মৃতিৰ পটত। সোঁৱৰণী মধুছবি
হৃদি-আকাশত, জ্বলিছে দুগুণে আহা!
জ্যোৎস্নান্বিত হ'ই, স্নিগ্ধ আৰু
মনোমুগ্ধকৰ। চঞ্চল অথিৰ প্ৰাণ

ৰাখিব নোৱাৰি, বুলিলে আতুৰ ভাবে।
"লয়লা! লয়লা! মোৰ প্ৰাণৰ লয়লা
আহা সোণ সোনকালে, সহিব
নোৱাঁৰা হৈছোঁ তোমাৰ বিচ্ছেদ। কতনো
মনৰ কথা নৌ কওঁতেই, উটুৱাই
নিলে হায়! পাহৰণি সোঁতে।
নকৰিবা অকনো পলম;
সাধনাৰ পূণ্যাশ্ৰম নাভাঙ্গিবা নিজে।"
সমাজত বহি শুনি সৱে
এনে কথা, এনে উচ্ছৃঙ্খল আৰু
উন্মাদৰ ভাব, সকলো স্তম্ভিত হল!
"উন্মাদ," "উন্মাদ" বুলি একমুখে ক'লে
সকলোৱে। কাছেমেও "নিদিওঁ ছোৱালী"
বুলি কৰিলে প্ৰতিজ্ঞা। সভামণ্ডপত
এবনৰ চক্ৰান্তত পৰি হুলস্থুল
হ'ল আৰম্ভন। লাজে শোকে অপমানে
কায়েচেও কৰিলে প্ৰস্থান
সভাস্থল এৰি।

## চতুৰ্থ সৰ্গ।

হাঁহিছে ধৰণী আজি নব উলাহেৰে,
নৰনাৰী জীৱ-জন্তু আদি সকলোকে
হঁহুৱাই বিবিধ ভঙ্গীমে। বিশাল
সুনীলাকাশ হীৰক খচিত, শিৰৰ
ওপৰে ল'ই উন্মত্তা প্ৰকৃতি। গাইছে
চৰায়ে আজি প্ৰভুৰ মহিমা গীত
নানান সুৰত, মুগ্ধ কৰি প্ৰাণ সেই
বিশ্ব তাপিতৰ, সুৰম্য কাননে।
বনৰ মাজত বহি, অকলে অকলে মাথোঁ
তুকিছে চকুৰ পানী, কান্দিছে অকলে
হায়! তীব্ৰ ব্যাকুলত, দুৰ্ভগা কায়েচে,
হৃদয়ৰ ভাব চিন্তা বিজন বনৰ
আগে নিজে নিজে ক'ই।

"কোন জনমৰ মোৰ
প্ৰাণে প্ৰাণে গঁথা ; জীৱন্ত তুলিকাৰে
আঁকা প্ৰণয়ৰ সেই ছবিখনি, বিশ্ব বান্ধোনৰ।
কিয় হায় ! কিয় হায় !! আজি
এতিয়াও, নিছিগি প্ৰেমৰ বান্ধ হিয়াৰ
মাজত, বিৰাজি সৌন্দৰ্য্য ছবি শত
ব্যাকুলতা, স্তৰে স্তৰে তোলে কিয় হৃদি
গগনত, অনন্ত বাসনা !
জগাই চেতনা শক্তি স্নিগ্ধ
আলোকেৰে, হৃদয়ৰ অতৃপ্ত কামনা ?
কোন দিনা ? কোন সেই মানস স্মৃতিয়ে
সৃষ্টিৰ ৰহস্য লই, গুপ্তভাবে আহি
আন্ধাৰেৰে বেৰা মোৰ আঁউসি নিশাৰ
হৃদয়ৰ ক'লা মেঘ সুদূৰ দেশৰ
দিলে আঁতৰাই ? চাওঁতে চাওঁতে মোৰ
ঘোৰ আন্ধাৰত, মিলি যাব খোজা সেই
আন্ধাৰ জীৱন, মিলি গ'ল সৌন্দৰ্য্যৰ
জোনালী নিশাত।

লয়লা

আচৰিত হলোঁ

প্ৰণয়ৰ পাই প্ৰতিদান।

সেই পূৰ্ণ হোৱা হৃদয়ৰ জোনালী নিশাত,
আনি দিলে মাধুৰীয়ে মধু সমাবেশে।
প্ৰিয় বিৰহত পৰি দিগন্ত কঁপোৱা, হিয়া
কাননত মোৰ উপচি পৰিল আহি
মনোবল, উচ্চ আশা, দয়া, প্ৰীতি, প্ৰেম।
নানা বন্য ফুল বাচকবনীয়া
বিলাই সৌৰভ নিজে মৰু প্ৰান্তৰক,
অজানে মৰহি যোৱা হৃদি বিদাৰক!
ফুলিল হৃদয় ভৰি হাঁহিলে ঘনাই,
স্বৰ্গীয় জেউতি আনি কোমল পাহিত
কৰিলে হৃদয় মোৰ থউকি-বাথউ,
সুগন্ধ নিস্বনে সেই হৃদি নিকুঞ্জক।
তথাপিতো, তথাপিতো, হিয়াৰ মাজত
ৰাতি দিন জ্বলি পুৰি থকা হৃদয়ত
অজান ভাবৰ এক থাকিল বাসনা।
উন্মাদ কৰিলে মোৰ মন ভোমোৰাক,

মধুৰ লোভত পৰি, অজান ভাষাৰে
সানি থোৱা অতৃপ্ত বাসনা, জনালেহি
হৃদয়ৰ শত ব্যাকুলতা, আবেগৰ
পূৰ্ণ আকুলতা গুঞ্জৰি গুঞ্জৰি তাৰ
প্ৰতিধ্বনি গ'ই, অকলই মাৰ গ'ল
মহা শূইনত। গীতৰ লহৰি তুলি
নানান ছন্দত, হৃদয় তলিৰ পৰা
পৰাণ বিহগে গালে, আপুনি ওলাই
অহা সুশ্ৰাব্য সঙ্গীত। পূৰ্ণ হল মহা
যজ্ঞ ভাবি নিজে নিজে, ভাবতে ওপঙ্গি
গলোঁ, গ'লোঁ কত দূৰ বৰ্ণাব নোৱাৰো
হায়! ক্ষুদ্ৰ শকতিৰে। দেখিলোঁ, শুনিলোঁ
আৰু ভাবিলোঁ মনতে, আচম্বিতে অহা
সেই নন্দনৰ ফুলপাহি
হিয়াৰ মাজত ল'ই, হৰষে বিষাদ
যেন ঘটিল হঠাত। শুনিলোঁ বিলালে
হায়! মন কেতেকীয়ে, ৰাখিব নোৱাৰি
ভাব দগ্ধ হৃদয়ত। চাওঁতে চাওঁতে

মেঘলা

মোৰ দগ্ধ জীৱনৰ, উচ্চ আশা, প্ৰীতি,
প্ৰেম আৰু পৱিত্ৰতা, সকলোটি মাৰ
গ'ল, নিৰাশাৰ জ্বলান্ত মৰুভূমি মাজে ;
আৰু মোৰ কবিতা ফুলেৰে গঢ়া
অতি সাধনাৰ, ৰম্য মোৰ কাম্য ভূমি
কবিতা ফুলনি, ভাগি চিগি গ'ল মোৰ
হৃদয়ৰ পৰা। ললিত লয়েৰে গোৱা
সুশ্ৰাব্য মধুৰ, বীণৰ কাকলি হায় !
ছিন্ন হ'ল বিনা তাঁৰে কি ৰোম মৰ্মন !
ইদৰে থাকোতে আৰু লুকাই লুকাই
জ্বলি গ'ল !! আৰু জ্বলি গ'ল !!!
চিন্তাক্লিষ্ট জীৱনৰ মধুৰ প্ৰভাত। যিভাবে
গঢ়িলোঁ নিজে হিয়াৰ মাজত, সাধনাৰ
পূণ্যাশ্ৰম অতি হেপাহৰ। বিশ্বপিতা
বিধাতাৰ বিমল ৰাজ্যত, দেখোঁ কিয়
চাৰিফালে স্বাৰ্থপূৰ্ণ আশাৰ পিশাচ ?
মানুহ জনম ধৰি মানুহ নামৰ, আনিলে
কলঙ্ক সিও হবকি আদৰ্শ ? পৰৰ

দ্ৰোহৰ চৰ্চ্চা, মিছা অপবাদ, ভাবিও
নিজেই যাক কৰে মলিয়ন, সিও
জানো গণিত হয় মানুহ নামৰ ? পশুৰ
নিমিত্তে, হোৱা নাই ই বিশ্ব ৰচিত,
হোৱা নাই বিধাতাৰ সুন্দৰ নিৰ্ম্মাণ।
কোৱাঁ তেন্তে, ভাঙ্গি মোক
হে মাতৃ, বসুধে ! কিৰূপে সহিছা ভাৰ
সি সব সকলো, হৃদি কলুষিত কৰা !
কোৱাঁ ভাঙ্গি পাতি, কিৰূপে
লইছা তাক বুকত সাৱতি ?
ক'বা নে ক'বা নে মাতৃ ! দিবা নে বুজাই ?
উষাৰ নয়নমণি, স্নিগ্ধ
মোৰ কৰুণায়, লোহিতৰ সিপাৰৰ
নিমাতি নিশাৰ, হৃদি নিকুঞ্জৰ মোৰ
গুপুত বাসনা ৰাশি, অকলই এৰি
কিছুদিনলৈ, কৰ্ত্তব্যত হলোঁ অগ্ৰসৰ।
তীব্ৰ আকুলতা ভৰা এখনি হৃদয়
ল'ই চাপিলোঁ ওচৰ ; কিন্তু, নিমাত

নিস্পন্দ! ব্যাকুল ভাৱেৰে মই ধীৰে ধীৰে
কলোঁ—মাগিছো বিদায় প্ৰিয়ে! কিছুকাললৈ
নোৱাৰোঁ, নোৱাৰোঁ, সোণ! সহিব
নোৱাৰোঁ, মুখত মধুসনা পশু সকলৰ,
হৃদয় বিদৰি উঠা বৃশ্চিক দংশন।
হঠাৎ সলনি হ'ল শেষ সুৰুযৰ,
সোনালী কিৰণ পৰা, সুন্দৰ মুখনি
সেই চুৰা পৰ্ব্বতৰ। মলিনে আবৰি
ল'লে স্থান উজ্জ্বলৰ। গহীন অথচ
স্থিৰ নিমাত নিস্পন্দ, আপুনি ওলাই
অহা হৃদয়ৰ পৰা, দুটি এটি দীৰ্ঘশ্বাস
মাৰ গ'ল মহা শূইনত। আৰু
থিৰেৰে প্ৰতীক্ষা কৰা চকু দুয়োটিৰ
কৰুণাৰ প্ৰবাহিনী দুধাৰি চকুলো
গাম্ভিৰ্য্যতো নেওচা দি বাগৰি আহিল;
ফুটিল যানিবা দুটি সুঁতি জাহ্নবীৰ।
হৃদয়ৰ ভাব চিন্তা ৰাখিব নোৱাৰি
গুপুত বাসনা ল'ই হিয়াৰ মাজত

বুলিব ধৰিলে হায় ! আকুল ভাবেৰে—
কি ক’লে,কি ক’লে দেব ! কি ক’লে আপুনি,
আচম্বিতে শুনিলো কি নিকৰুণ কথা,
অবলা পৰাণ মোৰ, ৰাখি কাৰ হাতে,
খুজিছে এৰিব হায় ! কাৰনো ভয়ত ?
পাৰে কি কৰিব,
ধুমকেতু ৰূপী সেই—পপীয়া তৰাই ?
ৰতিছে কলঙ্ক বিনা অপৰাধে
দেব ! পশুৰ দৰেই জিবাত,
ভৰাই ল’ই নিন্দা হলাহল ! তথাপিতো,
যি কৰি লভিব পাৰে শান্তি হৃদয়ত,
তাকেই কৰক দেৱ ! আৰু কিনো ক’ম,
আছে কিনো সাধ্য মোৰ ?
শুনি ই কৰুণ স্বৰ বুলিলে বিমৰ্ষে—
কি ক’লা কি ক’লা
জগত পাহৰি যোৱা স্নিগ্ধ আলো মোৰ,
কৰা শোক সম্বৰণ, দেখি তব শোক,
হইছে পৰাণ মোৰ শতধা বিদীৰ্ণ।

কৰা এটিবাৰ স্মৰণ, শোকময়
চক্ৰৰ মাজত পৰি, ঘৃণিত জীৱন
মোৰ, চলে চিৰকাল হু হু শবদৰে।
আহিম আকৌ ঘূৰি কিছুদিনতেই।
জগতৰ পূণ্য ব্ৰত
তুমিতো মানবী, নোহোৱা সামগ্ৰী
তুমি ভোগবিলাসৰ। নকৰিবা অলপো
সংশয়, আছোঁ মই সদাই সহায়,
কায়াৰ লগত যেনে সম্বন্ধ ছাঁয়াৰ:
শুনি মোৰ আকুল আহ্বান, সন্তাপেৰে
বুলিলে বিমৰ্ষ ভাবে "মনত ৰাখিব
দেৱ! ৰাখিব মনত, চিৰ অভাগীৰ
এই—এটি সেৱালৈ।"
উছৰ্গি জীৱন মোৰ,
নীলাম্বুধি বাৰি, এৰিলো জীৱন তৰী
শত শোক বিষাদৰ কৰাল গ্ৰাসত।
লক্ষহীন তৰী মোৰ, উটি গ'ল, ল'ই
দগ্ধ হৃদয়ত, ভাযাৰে লুকাই থোৱা

ভাব ৰহস্যৰ। জীৱনৰ শত শত
আশা অভিলাষ, উফৰিল ফুৎকাৰে,
জীৱন যাত্ৰাৰ এনে কৰাল গ্ৰাসত।
প্ৰিয়া বিৰহত, ঘৃনিত জীৱন মোৰ,
কটাব লাগিল হায়! অকলে অকলে,
ভীষণ বনৰ মাজে, শোক বেজাৰত।
মোৰ সেই কাম্য ভূমি, লৰালিৰ জাগ্ৰত
সপোন, মৰিশালী যেন লাগে দিনতে
আন্ধাৰ। অন্ধকাৰ! অন্ধকাৰ!! ভীষণ
অন্ধকাৰ!!! নাই জোন, নাই তৰা, নাই
একো আনন্দৰ জ্যোতি।
চাৰি ফালে শূন্য গৰজন,
বিকট গৰজে প্ৰাণ আহা!
তীব্ৰতৰ আকুলত।
মৰিশালী যেন হ'ল, একো নাই, একো নাই,
নাই আৰু একো,
আছে মাত্ৰ—শত ব্যাকুলতা
হাহাকাৰ প্ৰতিধ্বনি শত ব্যাকুলতা!!

মৰিশালী দৰে, জ্বলিছে হৃদয় ভৰি
ভীষণ অনল, হু হু শবদেৰে, কৰি,
দশোদিক আলোড়িত। দহিছে হৃদয়
মোৰ ঘোৰ যন্ত্ৰণাৰে। হৃদয়ৰ শক্তি
সকলোটি লুপ্ত হ'ল, লুপ্ত হ'ল, নাই
আৰু একো, সকলোটি গাৰ গ'ল মোৰ
এই প্ৰিয়া বিৰহত!"
ইদৰে প্ৰাণৰ কথা
কওঁতে কওঁতে, কত দিন কত
ৰাতি পাৰ হই গ'ল, সিও হায়! স্মৃতি
অগোচৰ। নাপালে একোকে তেওঁ আশা
পূৰ্ণ ৰিণিকি সন্ধান। তীব্ৰ ভাবনাত
পৰি ভাবোতে এদিন, আহোঁতে টোপনি
তেওঁ হ'ল অচেতন। এনেতে সপোন
দেবী ৰাঙ্গলী ওঠত, মিচিকিয়া হাঁহি
লই, বুলাই চেচনি হাত কায়েচৰ
অবশ প্ৰাণত, চাপিল ওচৰ। ভাল
তুমি মায়াবিনী, স্বপ্ন কুহকিনী! ধন্য

তব করুণা মহান। সহচৰী ৰূপে,
লগত খেলিছা তুমি খেলা অহৰহ
ৰজনী দেবীৰ। দেখি, অচেতন তুমি
তাপিত প্ৰাণৰ, পুৰোৱা অপূৰ্ব্ব আশা।
বিষাদ বিভূতি যাৰ প্ৰাণ আভৰণ,
হয় শেষ মহা যজ্ঞ নব জীৱনৰ,
গ'ই বিস্মৃতিত ভাঁহি, পাই মাথোঁ শান্তি
সুখ তোমাৰ কৃপাত। পথৰ ভিক্ষাৰী
হই পৰ্ণ কুটীৰৰ, ভুঞ্জে ৰাজ সুখ।
থাকি ৰাজ প্ৰাসাদত, পথৰ ভিখাৰী
হয় ৰজাৰ কুমাৰ। বন্ধ্যানাৰী হয়
পুত্ৰৱতী, কৰে শোক পুত্ৰৱতী কৃপাত
তোমাৰ। ভাগি চিগি হোৱা শেষ হিয়া
বিৰহীৰ, তোমাৰ কৃপাত পাই বাঞ্ছিত
জনক, ধাৰে-সাৰে এৰে অশ্ৰু অতি
আনন্দত। পতিহীনা কোনো নাৰী অতি
ম্ৰিয়মান, ভাৱেঁাতে ভাৱেঁাতে দেখে বিশ্ব
অন্ধকাৰ, তেনুৱা কালটো তুমি দিয়া

অৱসান, নব প্ৰণয়ৰ সুখ ৰই
ৰই পৰা। আৰু তোমাৰ কৃপাত দেবি!
নব প্ৰেমিকাই, হেৰুৱাই প্ৰিয় জন
ফুৰে বনে বনে, বিহৰত পৰি হায়!
ইনাই বিনাই! ধন্য তুমি স্বপ্ন দেবি!
সৰ্ব্বাঙ্গ সুন্দৰী, সন্তপ্তৰ ছাঁয়া তুমি
নোহোৱা কদাপি, আকাশ কুসুম মাত্ৰ,
অকোৱা প্ৰাণত।
দেখিলে কায়েচে এটি
সুখৰ সপোন। বিজন বনৰ মাজে
লগৰীৰ লগে, খেলিছিল বহুখেলা
মনৰ সুখত। অৱশেষে লগৰীয়া
বোৰে অকল সৰীয়া কৰি, লগ এৰা দি,
আন ফালে গুচি গ'ল কায়েচক এৰি।
পথশ্ৰান্ত হই পাচে, বনে বনে
ফুৰিছিল দুৰ্ভগা কায়েচে। পিয়াহত
ক্লান্ত হই ভাগৰ লগাত, জল আশা
কৰি পুনু ভ্ৰমিলে বহুত। দেখিলে

এনেতে এক ধীৰ প্ৰবাহিনী, বইছে
সাগৰোদ্দেশি মোহন ভঙ্গীমে, অনন্ত
প্ৰবাহ ল'ই গৰ্ব্বৰ মাজত। জলৰ
আশাত লৰিলে বহুত দূৰ, উদ্দেশি
নদীক, পিয়াহত ক্লান্ত হ্ই দুৰ্ভগা
কায়েচে। লৰেঁাতে লৰেঁাতে হ'ল অবশ
পৰাণ, শক্তিও নোহোৱা হ'ল আৰু
লৰিবৰ। এনেতে শুনিলে তেওঁ কোৱা
কোনোবাই, নিনাদিত কৰি দিয়া
কণ্ঠধ্বনি ভৈৰৱ নাদৰ, "মৰীচিকা আশা
তোৰ মৰীচিকা ভ্ৰমে, আক্ৰমিছে তোক
হেৰ কদাকাৰ ৰাক্ষসী মায়াই।" শুনি
ই ভীষণ স্বৰ চকিত প্ৰাণেৰে, চালে
চাৰিফালে। নেদেখিলে একো, দেখিছিল
মাত্ৰ তেওঁৰ প্ৰাণৰ লয়লা বাউলী হৈ লৰি
লৰি প্ৰাণৰ কাতৰে, "ৰক্ষা কৰা, ৰক্ষা
কৰা প্ৰিয়তম" বুলি ধৰিলেহি সাবতি
দেহত—তৰুক সাবতা দৰে মাধৱী

লতাই। নোৱাৰিলে আৰু একো কব,
কঁপি কঁপি। এনেতে
পালেহি এক ডকাইতৰ দল, তীব্ৰ
বেগে আহিছিল সিহঁতেই লয়লাক
খেদি। ৰক্তজবাৰ দৰে দুটা চকু লৈ
আগে আগে আহিছিল দলপতি,
বন্য পশু এবন ছয়াল।
"ক'লৈ সাৰিবি,"
বুলি বজ্ৰৰ নিনাদে ধৰিলে আগচি
আহি কায়েচ-লয়লাক। খঙাল সিংহৰ
দৰে জাপ্ মাৰি উঠি, কায়েচে বহালে
চুৰি মহাপাপী এবনৰ বুকে। উৰি
গ'ল প্ৰাণপক্ষী, দেহপঁজা এৰি থই
পাপী এবনৰ। শয়ন কৰিলে তেওঁ
অনন্ত শয্যাত। আনবোৰে আক্ৰমিলে
কায়েচ-লয়লাক, জোৰেৰে ওপৰে পৰি
বান্ধিলে দুয়োকে, অন্তৰ প্ৰদেশ জিনি
পপীয়া ভাষাৰে।

কায়েচক এৰি থই
বন্দী অৱস্থাৰে ল'ই গল পাপীহঁতে
পৰী লয়লাক। "লয়লা! লয়লা!!" বুলি
কায়েচে তেতিয়া কান্দিলে বহুত হায়!
এনেতেই সাৰ পালে টোপনিৰ পৰা।
ৰাত্রি অবসান হ'ল হাঁহিলে প্ৰকৃতি,
কিন্তু কায়েচৰ হায়? শোকৰ উপৰি
শোক দুগুণে চৰিল!!
স্বপ্নৰ বিকাৰ ঘোৰ
ঘূৰি ঘূৰি মনত পৰিছে
হাহাকাৰ পূৰ্ণ কৰি, কঁপাই অন্তৰ।

---

## পঞ্চম সৰ্গ।

শৰতৰ শুভ্ৰ জ্যোতি পূণ্য আলোকেৰে
নৈসৰ্গিক তিমিৰৰাশী ঠেলি সুদূৰত
শিশিৰেৰে স্নাত উষা
মেলিলে পোহৰ আহি মাধুৰ্য্যৰ
শত শত জাহ্নবী প্ৰবাহ।  বাহ্যিক মহান
দৃশ্যত, তুষাৰাবৃত জটা ল'ই চিৰ
যোগী বেশে, হিমাচল গগন চুম্বিত,
আত্মহাৰা কৰা প্ৰাণ সৌন্দৰ্য্যৰ খনি
ভাবুকৰ।  মৰ্ত্ত্য মন্দাকিণী স্নিগ্ধ
তটিনীৰ, অনন্ত প্ৰবাহ আৰু দিগন্ত
প্লাবিত কৰা সুমধুৰ কলধ্বনি
মঙ্গল শঙ্খৰ, পল্লবিত শ্যামল
বৃক্ষত, বাচকবনিয়া ফুল, বিলাই

মাধুৰী আহা ! মিচিকিয়া হাঁহি লই
লাজুকী ওঁঠত।
ইতিমধ্যে সাৰ পালে
দুৰ্ভগা কায়েচে, বিভীষিকা স্বপ্ন দেখি
দেখিলে কাষত, ঘোৰাৰ ওপৰে আছে
নাওফল নৃপ, সুসজ্জিত যুদ্ধ সাজে।
পলকবিহীন দুটি চকু ল'ই একেৰাহে
চালে বহু কায়েচৰ ফালে। অৱশেষে
ঘোৰা পৰে, আহিল ওচৰ চাপি
নাওফল নৃপ। কায়েচ ! কায়েচ ! বুলি
কৰি সম্বোধন, মুখত মধুৰ সানি
তীব্ৰ জ্বালাতন কৰা, অন্তৰে গৰল
ৰাখি, পিশাচৰ দৰে।
"কিয় বাচা ! এনে বেশ
বনৰ মাজত, ঈশ্বৰ প্ৰদত্ত
ভোগ বিলাসক এৰি কৰিছা জীৱন
যাত্ৰা কঠোৰ চিন্তাত ? নিজ হাতে লাভ
কৰি স্বাধীনতা শক্তি, ভাগ্যৰ চকৰি

কিয় নুঘূৰুৱা নিজে ?"—বুলিলে নৃপই।
যোগীৰ মুখৰ পৰা নাপাই উত্তৰ
আৰম্ভিলে ধীৰে ধীৰে পুনৰ ৰজাই
মধুৰ বচনে, চাই কায়েচৰ ফালে ঃ
"শুনিছোঁ প্ৰজাৰ মুখে মজি লয়লাত
"মজনুৰ" নাম লই, ফুৰিছা ইদৰে
ইহেন গহীন বনত ? মিচাকৈয়ে কষ্ট
বাচা নিদিবা দেহত। আহা মোৰ লগে,
অচিৰে পুৰাম তব মনৰ কামনা
ক'লোঁ মই সত্য কৰি জানিবা নিশ্চয়।"
শুনি ই আশ্বাসপূৰ্ণ বাণী নৃপতিৰ
আশাৰ সূৰুয হ'ল উদয় যোগীৰ,
মধুৰ আভাষ ল'ই বিনীত ভাবৰ।
ক'লে চাই নৃপতিক।
"মৰুভূমী মাজে
স্নিগ্ধ প্ৰবাহিনী বোৱা যেনে অসম্ভৱ,
অন্তহীন লক্ষ্যহীন সংসাৰৰ মাজে,
মোৰ পক্ষে মহাৰাজ! পোৱা লয়লাক

শত গুণে অসম্ভৱ। কি বুলি বুজাম!
অত চেষ্টা, অত চিন্তা, অত সাধনাৰ
অৱস্থাই মোৰ এই প্ৰত্যক্ষ প্ৰমাণ।
আপদ কালত, ঔৰে খজুৰাই গল,
চেনেহ মমতা ৰাখি যাক হৃদয়ত,
মৰম জৰীৰে হায়! বান্ধিছিলোঁ নিজে,
চেনেহত পমি!
এৰিলোঁ সকলো কথা, নধৰিব
মোক, নাচাওঁ, নাচাওঁ আৰু পিশাচৰ
তাণ্ডব নৃত্যক। বনৰীয়া পশু বুলি
নিন্দা কৰে যাক, তাতোকই খিয়লীয়া
নৰপশু অতি ভয়ঙ্কৰ। অমৃততো।
থাকে বিহ কমলে কণ্টক? মহাৰাজ,
কৰোঁ এটি নিবেদন আৰু চৰণত,
কিহৰ নিমিত্তে আজি অভাগাৰ প্ৰতি
হৈছে দয়া পৰকাশ? আজিৰ দিনৰ
মোৰ বন্য জীৱনত ৰাজভোগ সুখ হন্তে
অতি সুখ পাওঁ এই সাধনাত,

যদিও নুশুনো মাত নৰ মনুষ্যৰ।
মধু সঙ্গীতত,
কলকণ্ঠে বিহগৰ নহয় চেতনা মোৰ
নাভাগেছোঁ মধুৰ সপোন।
"শুনি, করুণ কাহিনী
বাচা! শতধা বিদীর্ণ হয়, হৃদি মোৰ।
কিন্তু স্থিৰতা বিহীন হই সন্তাপেৰে
নহবা কাতৰ। ক'লোঁ আজি, বন মাজে
সাক্ষী কৰি স্বৰ্গৰ দেৱতা
অচিৰে পূৰাম তব মনৰ কামনা।
আহা মোৰ লগে" বুলি মাতিলে নৃপই।
মুগ্ধ হই নৃপতিৰ আশ্বাস
বানীত, বান্ধি লই হৃদয়ত আশা মীৰচীকা
লগে গ'ল কায়েচ নীৰৱে।
সুবিশাল সভাগৃহ! সুনিৰ্ম্মিত স্তম্ভাৱলী
কাঞ্চন খচিত, শোভে
ৰত্ন সুৰুযৰ ৰজত ৰশ্মিত। সভা
মধ্যে উচ্চ বেদী কাৰুকাৰ্য্যময়, কৰে

ঝলমল, মৰকত পদ্মৰাগ আৰু
প্ৰৱালৰ অপূৰ্ব্ব শোভাত ৰঞ্জি।
পাত্ৰ, মিত্ৰ, সভাসদ, পালি,
প্ৰহৰিয়া, উজীৰ, আমীৰ আদি সভা
মণ্ডপত, উপবিষ্ট যথাস্থানে।
ললাটে চিন্তাৰ ৰেখা
দানৱৰ হাতে হাৰি অমৰাৱতীত
বহে যেন দেৱৰাজ, চিন্তায়ে আকুল।
নিবেদিলা সভা মাজে,
এক ৰাজ দূতে প্ৰণামি চৰণ।
"জাহাঁপনা! পঠাইছে নাওফলে তব
সমীপত। কায়েচক, আনিছে বিচাৰি
বনৰ মাজৰ পৰা। লয়লাক দিব লাগে
বিবাহ কায়েচে, এই অনুৰোধ
কৰে নৃপতিয়ে।"
চিন্তা কৰি, বহু পৰ
অধোমুখ হই দূতৰ ফাললৈ চাই ক'লে
সদাগৰে।

"কৰিছোঁ প্ৰতিজ্ঞা মই সভা
মণ্ডপত, নিদিওঁ ছোৱালী বুলি উন্মাদ
যোগীক, কিহেতু তোমাক আকৌ পঠালে
নাওফল নৃপে, নুবুজোঁ ৰহস্য একো !
কোৱাঁগৈ নৃপ সমীপত,
নাভাঙে প্ৰতিজ্ঞা বুলি
যি মুখে কৰিলে।"
শুনি এই দম্ভপূৰ্ণ কথা কাছেমৰ
ক'লে ৰাজ দূতে ঃ—
"সদাগৰ ডাঙ্গৰীয়া, নাৰাখিলে
নৃপ অনুৰোধ, অনিবাৰ্য্য যুদ্ধ অচিৰতে।
ছলে বলে কৌশলেৰে
পুৰাব কামনা হেনো নাওফল নৃপে ;
নুমুৰাব বিৰহৰ জ্বালা বিৰহীৰ,
কৰিছে প্ৰতিজ্ঞা এক বনৰ মাজত
সাক্ষী কৰি চন্দ্ৰ সূৰ্য্য দেব দেবীগণ
দৃঢ় সঙ্কল্পেৰে।"
"অনিবাৰ্য্য হব যুদ্ধ ?

কন্যাৰ কাৰণে যুদ্ধ ?  ভালকথা
দিম প্ৰাণ কথাৰ কাৰণে।
ভীৰু নোহে কাছেম কদাপি।
কোবাগৈ যোৱা দূত
নাওফল আগে,
বিনা যুদ্ধে নিজ কন্যা নকৰে প্ৰদান।”
শুনি, দূত মুখে
সকলো কাহিনী, কৰি দিলে আয়োজন
যুদ্ধৰ কাৰণে, নাওফল নৃপে।  মহা
পয়োভৰে পঠিয়ালে বিজয় বাহিনী।
হ'ল যুদ্ধ মহা ভয়ঙ্কৰ।  অগনন
হয় হস্তী সৈন্য সেনাপতি, মহা যাত্ৰী
হল আহি সমৰ ক্ষেত্ৰত, ৰুধিৰে
প্লাবিত কৰি সমৰ প্ৰাঙ্গণ।
বন্দী হল অৱশেষে কাছেম সাউদ।
বন্দী কৰি লয়লাক, নাওফল নৃপে,
লই গল ৰাখিবলৈ প্ৰতিজ্ঞা নিজৰ।
অনুপম মনোমুগ্ধকাৰী ৰূপ দেখি লয়লাৰ,

নৃপতিৰো হৃদি হ'ল অতিকে চঞ্চল,
কৰি নিৰিক্ষণ, পাপপূৰ্ণ হৃদয়েৰে।
দৃঢ় প্ৰতিজ্ঞাও, উৰি গল কেনিবাদি
এন্ধাৰ যোৱাৰ দৰে দেখি পোহৰক।
নাওফল নৃপে, কৰিলে সঙ্কল্প মাত্ৰ,
কৰি লব হৃদয়ৰ ৰাণী লয়লাক,
চলে বলে কৌশলেৰে বধি কায়েচক।
গঢ়ি লব প্ৰণয় মন্দিৰ, জীৱনৰ
শেষ বয়সত, সেই হে কৰিছে আজি
বিবাহ মণ্ডপ এক, আৰব বালিত
ষড়যন্ত্ৰ পূৰ্ণ। স্বাৰ্থপৰ এনে হিয়া!
নোৱাৰে সহিব দেখি সুখ দুখীয়াৰ।
আৰ্জ্জিলে ভুঞ্জিব লাগে পাবি ৰাজ সুখ,
ঘটিব অচিৰে তব পাপ পৰাচিত।
লয়লাৰ সতে, প্ৰকাশ্যে পাতিলে এক
বিয়া কায়েচৰ, দেখাবলৈ নৰ সমাজত।
বুজা নাই বিবাহৰ দুৰ্ভগীয়াহঁতে,
উদ্দেশ্য মূলত।

মহা সমাৰোহে,
পাতিলে উৎসব এক, অন্তে,
কায়েচ-লয়লাৰ বিবাহৰ নাওফল নৃপে।
অহাৰ পাচত, নানাবিধ খাদ্য দ্ৰব্য,
দিলে আনি ৰহস্যৰ বিষ পূৰ্ণ পাত্ৰ
কৃতদাসে, থইছিল যিদৰে শিকাই
নাওফল নৃপে। ভাগ্য ক্ৰমে বিষপূৰ্ণ
পাত্ৰ, থই গল আগে নৃপতিৰ।
পান কৰি মহা নিদ্ৰা কৰিলে নৃপই।
নাওফলে ভাবিছিল, কৰোৱাই বিবাহৰ
অন্তে, বিষপান মজ্‌নুৰ হতুৱাই,
লভি লয়লাক, হব তাৰ আশা পূৰ্ণ।
বন্দী হল নিজে নিজে পাতি মায়া জাল,
আনিলে চপাই নিজে নিজৰ বিপদ
আৰব বালিত এৰি জীৱন্ত মূৰুতি,
মহা সমাৰোহে !
বুজিলে কায়েচে মূল্য,
মধুসনা যচা কৰুণাৰ, সঙ্কত

সাগৰ কৰি পাৰ অবিলম্বে, বনৰ
ফাললৈ গল দুয়ো হতভাগা, শান্তিৰ
নিজৰা যত সদা অহৰহ, বইছে
কৰুণা ঢালি, ৰক্ষা কৰি নিজানৰ
স্বাধীনতা শক্তি, লগে লই সাধনাৰ
চিন্তামনি পৰী লয়লাক ; বনৰ
মাজত, কটালে বহুত দিন দুৰ্ভগা
কায়েচে। কিন্তু হায় ! নসহিলে নিষ্ঠুৰ
বিধিয়ে এইকণো সুখ দুখীয়াৰ !
বনৰ মাজত পাই ধনী সদাগৰে
লই গল জীয়েকক, তিৰস্কাৰ কৰি
কায়েচক ! বিনা মেঘে বজ্ৰপাত
মহা ভয়ঙ্কৰ, কায়েচৰ পৰিল মূৰত।
অন্ধকাৰ ! অন্ধকাৰ !! খালি অন্ধকাৰ
চকু মেলি দেখিলে কায়েচে, হৃদয়ৰ
স্থিৰ সৰসীত, আঘাতত উঠি গল
উত্তাল তৰঙ্গ !

তৰুক সাবতি থকা
মাধৱী লতাক, এৰুৱাই দিলে যায়
যেনে জঁয় পৰি, অব্যক্ত শোকৰ কথা
নোৱাৰি ভাঙিব, সিদৰে শুকাই গল
মজ্নু বৃক্ষত, মেৰিয়াই ধৰা হায় !
লয়লা লতাৰ, বতাহত হালি জালি
আপোন পাহৰি যোৱা ভাব আনন্দৰ।
উপদেশ পূৰ্ণ সাৰগৰ্ভ বাণী বহু
বুজালে অনেক নিতে জনক জননীয়ে।
মিছা হল সকলোটি, মৃতকৰ মুখে
দিয়া ঔষধ যেনুৱা ; অবিশ্ৰান্ত দহি
দহি কায়েচৰ সন্তাপ অগ্নিয়ে, কৰিলে
হৃদয় খনি অতিকে মলিন। নিজানত
বহি বহি কায়েচৰ মোহন মাধুৰী
ৰূপ ধ্যানৰ বাহিৰে নাথাকিল আৰু
একো কাম। এনেয়ে সাদৰী কন্যা অতি
চেনেহৰ, ভাবিছিল নিজে নিজে, এনে
ভাবে কটাম জীৱন। কিন্তু হায় ! অতি

তুচ্ছ এনে ভাব,
প্ৰণয়ৰ হাঁহি ভৰা কৰাল গ্ৰাসত।
এনেদৰে ভাবোঁতে
ভাবোঁতে, গহীন দুপৰ নিশা, ভাবে গৈ
ধৰিলে মূৰত, অচেতন হই ললে
স্থান বিচনাত। দেখিলে সপোন এটি
ভাবে ধৰোঁতেই।
জ্যোৎস্না স্নাত নীৰব
ৰজনী। গাম্ভীৰ্য্যতা পূৰ্ণ দৃশ্য সকলো
নিমাত। শ্মশানৰ মাজে তেওঁ বহি আছে
ভাবি ভাবি অকলে অকলে। আচম্বিতে
পৰিল চকুত, ভয়ঙ্কৰ ধোৱাঁ জুই
প্ৰাণ শিয়ঁৰোৱা, ওচৰত নাচি থকা
পিশাচৰ হাঁহি খিকিন্দালি আৰু হৃদি
ফাটি যোৱা কাৰোবাৰ আৰ্ত্তনাদ ধ্বনি।
দেখি ই ভীষণ দৃশ্য প্ৰাণৰ কাতৰে
লৰি আহি ঘৰ সোমালেহি। ধৰিলে
আকৌ যেন ভাবে কায়েচৰ। কায়েচ!

শোক বেজাৰত; আৰ্ত্তৰাৱে ধৰিলে
কান্দিব, হৃদয়ৰ ভাব চিন্তা ৰাখিব
নোৱাৰি। শেষ নিশা শুনিলে বাজত
কাৰোবাৰ পদ শব্দ, অলপ পাচতে
ক'লে আহি লাহে লাহে দুৱাৰ মুখত
করুণ সুৰেৰে—
"আহিছোঁ আহিছোঁ, প্ৰিয়ে!
মেলি দিয়া যাবলৈ কপাট। অনন্ত
বাসনা প্ৰেম বুকে বান্ধি লই, হৃদয়
ভৰাই ল'ই অতি সাহসেৰে, আহিছোঁ,
আহিছোঁ সোণ! ভয় ভূত কৰি পৰিত্যাগ।"
হঠাৎ দেখিলে যেন চিৰ আন্ধাৰত
থাকি ভোগা যন্ত্ৰণাৰ; ৰহস্যৰ শেষ
সীমা বিমল আলোক। দেখিলে নতুন
সংসাৰ, শ্যামল পত্ৰেৰে শোভা—তৰু
তৃণ বন, বাচেকবনিয়া ফুল, আৰু
সাম্য তীব্ৰ গতি লই, গতি কৰা শত
শত ৰহস্যৰ জাহ্নবী প্ৰৱাহ। লাভ

কৰি দুটি চকু অজান ভাবেৰে, নৃপ
দ্যুমৎসেনে। অন্ধকাৰ অমাৱশ্যা
ৰাতিত যানিবা, মিলি গল আচম্বিতে
শাৰদী পূৰ্ণিমা।
লয়লাৰো হৃদয়ত
জাগিল অনন্ত আশা, অজান বাসনা।
টোপনিতে উঠি গই মেলো বুলি মাৰি
দিলে খুণ্ডা দুৱাৰত। খুণ্ডাখাই সাৰ
পালে টোপনিৰ পৰা—দুৱাৰ মুখত।
অতীত ৰহস্য লই স্মৃতিৰ পটত,
ভাবিলে বহুত হায়! কান্দি কান্দি চিৰ
অভাগীয়ে। ধন্য তুমি স্বপ্নদেবি! চিৰ
মায়াবিনি! সন্তপ্তৰ ছাঁয়া তুমি!
বৰ নিদাৰুণ।

———

## ষষ্ঠ সৰ্গ।

যৌৱন ! তীব্ৰবেগী বুলি কয় পৰ্ব্বতীয়া
জুৰি, সমস্বৰে গান গোৱা শিলনিৰ
মাজে ; নহব নে সিও তুচ্ছ তোমাৰ
কাষত ? হোৱা দিক অন্ধকাৰ, কুলিৰ
ডিমাৰ দৰে, গগন মাৰ্গত, যিৰূপে
ওপঙ্গি ফুৰে ডাৱৰ চকলা—সমীৰ
সেৱনে ফুৰা সহযাত্ৰী বন্ধু যেন
প্ৰসূন কানন মাজে সন্ধিয়া পৰত ;
বিৰাজে যিদৰে আহা ! তীব্ৰ ক্ষণপ্ৰভা,
সিও নেকি হব বেগী তোমাৰ কাষত ?
যি ঠাই পোৱাৰ আশা বহু সুদূৰত
ভৰি থকা নানাবিধ বাধা বিঘিনিৰ,
হয় সিও অতিক্ৰম এক মুহূৰ্ত্তত।
আন্ধাৰে পোহৰ হয় বিপদে সম্পদ
নিৰ্জ্জনো সজন হয় যৌৱনৰ
মধু প্ৰভাতত।

থাকি বন্য জন্তু মাজে, স্মৰি
স্মৰি হতভাগা কায়েচ প্ৰেমিকে, শো
সন্তাপেৰে হায় ! তুকিছে চকুলো, শে
হোৱা সোণালী সপোন। দুপৰ নিশা
ভাবোঁতে ভাবোঁতে এক অজান ভাবৰ
ললে স্থান হৃদয়ত, আনন্দৰ ভাবে,
হতাশী প্ৰাণৰ। উচ্চ আশা উচ্চ প্ৰেম
লই হৃদয়ত নিৰ্জ্জন বনৰ মাজে
অকলে অকলে হাঁহিলে বহুত হাঁহি
হৃদয় মুকলি। দেখিলে চকুৰ আগত
অন্ধকাৰ মহানিশা হল আলোকিত
পলাই আন্ধাৰ নিশা বিজুলি বেগত।
দেখি ভয় লগা বন, গহীন জাৰনি,
অন্তহীন নিৰাশাৰ সাগৰ মাজত,
উঠা ছবি সীমহীন, কৰা, কণ্ঠাগত
প্ৰাণ সাহসী জনৰো, দেখুৱালে পথ
সুবিমল। বিদ্যুত বেগত উটুৱাই
তস্থিৰপৰাণ, খোজ ললে নগৰৰ

কালে, কৰি লক্ষ বাঞ্ছিত জনক হিয়া
মাজে জ্বলি জ্বলি জ্বলোৱা পৰাণ সেই
হতভগীয়াৰ। চাওঁতে চাওঁতে আহা!
যৌবনে পোৱাই দিলে ঘৰ বাঞ্ছিতৰ।
করুণ সুৰত গালে বাঞ্ছিতক লক্ষ
কৰি আবেগৰ এটি গান হৃদয়
বিদাৰি দিয়া অজান ভাবত। মধুৰ
অথচ কিবা কেনেবা কেনেবা,
হৃদয় মাজত।

(গান) "সুন্দৰ মনোমোহা মোহিনীৰ
ছবিটি, ভাবি ভাবি ভাল লাগে ভাবো
দিনে ৰাতি। মউসনা মাতেৰে পমি
যাই আদৰে, ৰঙ্গা ৰঙ্গা ওঠ দুটি
মিচিকিয়া হাঁহিটি। পৰশিলে
পমি যাওঁ, নিজকে পাহৰি যাওঁ,
হৃদয়ৰ ছবিটি।"

আহাহা! মধুৰ মোহন ছবি!
ই যে নহয় গান, সুমধুৰ ছন্দত

ৰচা সু লিখকৰ। ই যে নহয় গান
শব্দৰ ঝঙ্কাৰ তোলা ভাবুক প্ৰাণৰ,—
ঘটোৱা ধৈৰ্য্যৰ চ্যুতি প্ৰতি পৰাণত,
মাথোঁ। ই যে গান এক বিৰহীজনৰ
আবেগৰ কণ্ঠ ধ্বনি, হৃদয় তলিৰ
পৰা অজানে ওলাই অহা শত শত
বিৰহৰ দীৰ্ঘ হুমুনীয়া।
শুনি ই আকুল আহ্বান,
ভাগিল সপোন
এটি চিৰ অভাগীৰ ; কান পাতি
বহু পৰ শুনিলে সঙ্গীত।
শুনি ই করুণ স্বৰ
বাঞ্ছিত জনৰ, চিন্তাৰে আকুল
প্ৰাণ, শান্তি বোধ নোহোৱা কদাপি,
চিৰ বিৰহীৰ।
ধৈৰ্য্যহীন হই পাচে পৰী
লয়লাই, ওলাল ঘৰৰ পৰা অতি
সাৱধানে। দেখা দেখি হল দুয়ো কিছু

দূৰতেই, মিলন হইছে যেন গঙ্গা
যমুনাৰ, প্ৰেমৰ মাধুৰী ছবি ৰাখি
হৃদয়ত। মন্নুৰ গতিত, দুয়োজনে
প্ৰবেশিলে লাহে লাহে লয়লাৰ শয়ন
কক্ষত। ধৰিলে সাৱতি আহি তৰুক
সাৱতা দৰে মাধৱী লতাই
দুগ্ধ ফেননিভ হাতে, কায়েচৰ বৃক্ষত।
পাতিলে অনেক কথা
ৰহস্য প্ৰেমৰ, ডুবি গল দুয়োজনে
অন্তহীন প্ৰেম জলধীত। বহু কথা
কোৱাৰ পাচত, ধীৰে ক'লে লয়লাই
কায়েচৰ অপৰূপ কৰি নিৰীক্ষণ
আকুল ভাবেৰে।
"নয়নৰ মণি মোৰ
নিষ্ফল দেহৰ, কিয় হায়! কিয় হায়!
আজি এতিয়াও নুভুলি অভাগী-প্ৰেম
গুপুত বাসনা, হিয়াৰ মাজত ৰাখি
কৰিছে মলিন কিয় জীৱনৰ উচ্চ

লয়লা

আশা উচ্চ অভিলাষ? অভাগীৰ লাগি
কিয়, কৰিছে ভীষণ হায়! হৃদি দগ্ধ
ব্ৰত আৰম্ভন? ভাবিলে এবাৰ দেহি
কাটে মোৰ হিয়া খনি চিৰাচিৰ হই।
আশা মোৰ হৃদয়ৰ
প্ৰভো প্ৰাণেশ্বৰ! আনন্দৰ ৰশ্মি মোৰ
আতুৰ নয়নৰ, আজি ধৰি বাদ দিলে
চিৰ অভাগীক, লভিব পাৰিব সুখ
সংসাৰৰ মাজে। ভাবিছিলোঁ মনে মনে
জীৱনৰ মধু প্ৰভাতত, অভাগীৰ
পূৰ্ণ হব বুলি আকুল আহ্বান। কিন্তু
হায়! হিতে হল বিপৰীত, চেঁচা বুলি
দিলো বুৰ প্ৰেম সাগৰত, নহল টো
শীতল দেহ, পুৰিলে পৰাণ, গোটেই
হৃদয় ভৰি জ্বলি দাবানল। গোটেই
জীৱন ব্যাপি কান্দি কান্দি উথহালে চকু,
গোটেই জীৱন ব্যাপি ভাবি ভাবি দেহা
শুকুৱালে, নহব কামনা পূৰ চিৰ

অভাগীৰ, এনেহে ভাগ্যৰ ফেৰ বৰ
শোকাবহ! সেই দেখি কওঁ দেৱ! এৰি
অভাগীক, কৰক জীৱন যাত্ৰা কৰি
লই আন এজনাক চিৰ লগৰীয়া; পাব
সুখ পাব শান্তি অন্য সকলেও।
কত দিন, কত ৰাতি, মধু মিলনত, কলোঁ
মই বহু কথা ভাবি ভাবি ভৱিষ্যৰ
ছবি। মিলিলেই সকলো আহি ভবাৰ
দৰেই। তথাপি নগল মোৰ অতৃপ্ত
বাসনা।”
শুনি ই করুণ বাণী লয়লা
পৰীৰ, বুলিলে শোকাৰ্ত্ত ভাবে দুৰ্ভগা
কায়েচে।
“লয়লা ৰতন মোৰ হৃদয়ৰ
ৰাণী, দেখুৱাব পৰা হলে হিয়াখন
ফালি, বুজিলা তেতিয়া হয় প্ৰেমময়
অন্তৰ প্ৰদেশ। এবনৰ লগে দিলে
এবাৰ বিবাহ, ভৰিৰে অবজ্ঞা কৰি

কিয় হেলা-ৰঙ্গে, ৰাজ সুখ-ভোগ এৰি
প্ৰবেশিলা শ্মশানৰ মাজে? দিছিলোঁ নে
বাধা মই কৰিবলৈ তেনে? কিন্তু হায়!
ভবেৰে নোপোৱা ঢুকি অতীত ৰহস্য
পাৰ হল, আছে সাধ্য কাৰ ঘূৰাবৰ?
ভৱিষ্য নন্দন বন হৃদি অমৰাৰ
চিত্ত বিনোদন যাৰ কুসুম সুষমা
স্থল লক্ষ হৃদয়ৰ, লেৰেলা শৰীৰ
হয়, স্মৰণ মাত্ৰকে যাৰ ৰোমাঞ্চিত
অতি, নোৱাৰে ভাঙ্গিব ধ্যান বিষময়
কোনো ব্যভিচাৰে। কৰিছিল ষড়যন্ত্ৰ
কণ্টকী হাতেৰে, মুখত মধুৰ সানি
পিশাচৰ দৰে। অনন্ত প্ৰেমৰ বলে
চিঙি দিলে বান্ধ, বুজি পালে জগত
বাসীয়ে। ভালে বা বেয়াই মোৰ ধৰিলো
মনত, ভাবিম একান্ত মনে, যাবত
থাকিব প্ৰাণ এই হৃদয়ত। কিন্তু
শুভাননে, কৰা শোক সম্বৰণ। দেখি

তব শৰ সম অশ্ৰু, হানিছে পৰাণ
মোৰ, অসহন ভীষণ যন্ত্ৰনাত।
নোৱাৰোঁ, নোৱাৰোঁ আৰু সহিব নোৱাৰোঁ!
এনে নিদাৰুন শোক, অলপতে হব
মোৰ কান্দোনৰ শেষ।
মোৰ, চেনেহৰ
জনক জননীৰ, এৰিলোঁ মমতা আৰু
স্বাৰ্থৰ পিচত ঘূৰা, পূৰ্ণ দাম্ভিকতা
ঐশ্বৰ্য্যৰ সকলোকে কৰি পৰিহাস,
গলে লই মহাফাচ্ চিৰ বন্দিয়াৰ
সোমালো বনত নিজে; কিহৰ নিমিত্তে
প্ৰিয়ে? মদটো অধিক মিষ্ট ৰাজসুখ
এৰি এনে বেশে ফুৰিছোঁহি ঘৃনণীয়
জীৱন জ্বলাই?”
“ৰতন কৰি হিয়াৰ
মাজত, অফুলন ফুলপাহী ৰাখিছোঁ
সজাই, ৰঙ্গেৰে ৰঞ্জিত কৰি,—
প্ৰশ্নৰ উত্তৰ।”

ই বুলি চকুলো তুকি
বুলিলে পুনৰ।
"ফেহুজালি দিলে উষা, নিশা
অৱসান, কুকুৰায়ো দিলে ডাক শেষ
প্ৰহৰৰ, দিছোঁ বিদাই নাথ! যাওক
সোনকালে, নগৰবাসীয়ে পালে
ঘটাব প্ৰমাদ।"
ইদৰে বিদাই লই প্ৰেয়সীৰ
পৰা, ওলাল বাহিৰ শোকে দুৰ্ভগা
কায়েচ, প্ৰণয়ৰ শেষ চুমা হেপাহ
ভৰাই যাচি প্ৰিয়া লয়লাক।
হঠাৎ পৰিল চকু
এটি প্ৰহৰীৰ, ওলাই
আহোঁতে সেই দুৰ্ভগা কায়েচ। বেগেৰে
ওচৰ চাপি চোৰ বুলি বন্দী কৰিলেহি।
ৰজনী প্ৰভাত হল, জাগিল সকলো,
চোৰৰ সম্বাদ পাই আহিল সকলো
চাপি উত্ৰাৱল হল।

সভাৰ মাজলৈ
বন্দী অৱস্থাৰে, কঁপি কঁপি ক'লে
খঙ্গে কাছেম সদাগৰে।
"অনুতাপেৰে, এখনি হৃদয় লই
কিহৰ আশাত তই
আহিছিলি চোৰৰ বেশেৰেৰ ?
ৰাজপুত্ৰ বুলি কৰ মিছা অভিমান !
এনে গৰিহনা খোৱা কাম কৰি
লগা নাই নে লাজ হেৰ নিৰ্ব্বোধ বালক ?
কত আশা কৰি মই সৰু বয়সত
পঢ়িবলৈ দিলোঁ সেই অতি চেনেহৰ
মোৰ সাদৰী কন্যাক, জোকাই জোকাই
তই কৰিলি পাগলী। তোৰ কাৰণেই
ওলাব নোৱাৰা হলোঁ সমাজৰ আগে
যি হেতু লগালি তই কালিমা প্ৰাণত।
নকৰোঁ ইবাৰ তোক কোনো ক্ষমা মই।
তেজৰ সোৱাদ পোৱা পিশাচৰ আগে
দিলে হব কিবা লাভ—ব্যাখ্যা কোৰাণৰ ?"

এই বুলি খঙৰ কোবে ক'লে প্ৰহৰীক—
"প্ৰহৰি ! ছেওদে ডিঙ্গিত ইয়াৰ, আৰু
যাতে জগতবাসীয়ে নেদেখে ইয়াৰ
এই ঘৃণিত জীৱন।"
শুনি ই প্ৰভুৰ
আজ্ঞা, ললে ডাঙ্গি প্ৰহৰীয়ে তৰোৱাল
খুলি, পিশাচৰ দৰে হাঁহি লক্ষ কৰি
দুৰ্ভগীয়া কায়েচৰ প্ৰতি।
"স্থিৰ হ নিৰ্ব্বোধ প্ৰহৰী !
লয়লা থাকোঁতে জীয়াই নোশোভে ই কাৰ্য্য
অতি ঘৃণনীয়।" বুলিলে লয়লা আহি
সভা মণ্ডপত, বিদ্যুত প্ৰৱাহে।
"কন্যা হই নুবুজিলি
জনকৰ হৃদয়ৰ গভীৰ মমতা।
কন্যা হই কিয় তই,
পবিত্ৰ কুলত মোৰ সানিলি কলঙ্ক ?
বৃদ্ধ জনকৰ অপমান, অপযশ,
শত কলঙ্ক কালিমা, দেখি তোৰ

লগা নাই লাজ, দেখি তোৰ নহয়
নে হৃদয় বিদীৰ্ণ ? সাজি থোৱা মনৰ
মাজৰ, ৰম্য মোৰ কাম্য ভূমি কল্পনাৰে
গঢ়া, চুৰমাৰ কৰি দিলি ! এয়ে তোৰ
পিতৃভক্তি পবিত্ৰ ভাবৰ ?" ক'লে শোকে
কাছেম সদাগৰে।
"পিতা স্বৰ্গ, পিতাহে পৰম ধৰ্ম্ম
বুলি ভাবোঁ অহৰ্নিশে পবিত্ৰ ভাবত,
কিয় পিতা ! কোৱা এনে
নিদাৰুণ কথা ? দোষী নই, মোৰ হেতু
ঘটিছে প্ৰমাদ, নকৰি আগেয়ে বধ
কিয় পিতা মোক, ইচ্ছাকৰা বধিবলৈ
এই দুৰ্ভাগাক ? অবাধ্য তনয়া নই,
নাজানো পিতৃৰ ভক্তি যথাযোগ্য মতে।"
কুলিলে শোকাৰ্ত্ত ভাবে লয়লা সুন্দৰী
স্পৰ্শ কৰি জনকৰ চৰণ যুগল।
"মোক দেখি বনৰ বিহগে, মোক দেখি
নিমাত প্ৰকৃতিয়ে হাঁহে অহৰহ,

নালাগে মানিব সমাজ, তোৰেই হেতু
আৰু মই নোৱাঁৰো সহিব। কন্যা নাই!
দয়া নাই! নাই মোৰ মমতা প্ৰাণত!
আজি ধৰি কোনো নাই বসুধা ভিতৰে!
মোৰ সকলোটি শেষ হল! শেষ
হল!" এই বুলি উন্মাদ ভাবে গুচি গল
অন্তঃপুৰে ফালে বিজুলি বেগত।
'পিতা! পিতা!" বুলি
পৰী লয়লায়ো জনকৰ
পাচে পাচে গল। কাঠৰ পুতলি দৰে
ৰল সভাসদ্। অপমান ভোগ কৰি
দুৰ্ভগা কায়েচে, ধ্যানকেই লক্ষ্য কৰি
বনত সোমাল শোকে অতি সন্তাপেৰে।

—o—

## সপ্তম সৰ্গ।

মায়াৰ সাঁচত ঢালি প্ৰকৃতি পুৰুষ
জানাতো সৃষ্টিৰ লীলা, সৃষ্টি পাতনিত
সুদৃঢ় ডোলেৰে বান্ধি বিশ্ব বিধাতাই
কৰিছিল জগৎ সৃজন, স্বৰগৰ
দেবগণ কৰি উচ্চতম। সকৰুণে
পাচে বিধি সম্বোধি বুলিলে, যেতিয়া
চাপিল কায প্ৰকৃতি-পুৰুষ, অজলা
ফৰিং যেন চাপি যোৱা প্ৰদীপৰ ফালে।
"জানা, সৃষ্টিৰ ৰহস্য ? দেখাত যদিও
এক প্ৰকৃতি-পুৰুষ, সৃষ্টিৰ ৰহস্য
লই আছে এক উদ্দেশ্য মহান, অন্তহীন
মায়া মাজে হইছে স্থাপিত তাত
অভেদ্য কৌশল। সহবাসে চিঙ্গি দিব
চিনিব নোৱৰা এই অভেদ্য কৌশল;
পাবা তাত অতৃপ্ত বাসনা, অন্ত তাৰ
নহব কদাপি, কৃষ্ণ কেশ পাশে যেনে

চৰায় মাধুৰী লাবণ্যৰে গঢ়া এক
পূৰ্ণ ললনাৰ ; সিৰূপে শোক তাপে
বিৰহ সন্তাপে, চৰাব নিতকে ৰূপ
সুখ জেউতিৰ। মধু মিলনত আছে
সুখ শান্তি বন্ধা, নিমিলিলে ভাগ্যত
নিজৰ মনোমত অৰ্দ্ধাঙ্গিনী, অমিল
ভাবতে যাব অসুখী সংসাৰ, হৃদয়
মলিন কৰি কান্দিয়েই গোটেই জীৱন।
কান্দি কান্দি উখহালে চকু নুপূৰিব
আশা তাৰ এই জীৱনত, কদাপিতো
নোহে লৰ বিধিৰ বিধান—এয়ে মাত্ৰ
ৰহস্য সৃষ্টিৰ।”

নানান চিন্তাৰ মাজে
বিশ্ৰাম কক্ষত আছিল দুখেৰে বহি
কাছেম সাউদ, অতীত ভবিষ্য চিন্তা
মন মাজে সুৰঁৰি সুৰঁৰি। ইতিমধ্যে
বৃদ্ধা নাছিৰনে বিশ্ৰাম কক্ষত আহি
কৰিলে প্ৰবেশ, লাখুটিত ভৰ দি দি

কুঁজা-কুঁজি কই। গদ গদ স্বৰে ক'লে
কাছেমক চাই।

"মাতিছিলা কিয় বোপা
দূতৰ মুখত? আহিছোঁ। সুৰ্ঁৰি তাকে
বৰ কষ্টৰেই, নোৱাঁৰো চলিব আৰু
আগৰ দৰেই।"

যথাযোগ্য সন্মানৰে সতে
বহিবলৈ দিলে সেই নিৰাশ্ৰয়া
বৃদ্ধা নাছিৰক, নিবেদি বিনীত ভাবে
ক'লে জীয়েকৰ সেই সকলো কাহিনী।

"একেটি সাদৰী কন্যা
অতি চেনেহৰ, তুলি তালি ভাবিছিলোঁ।
পাম সুখ যশ মান তাইৰে লগত,
কৰি সমৰ্পন, উপযুক্ত পাত্ৰ হাতে।
কিন্তু হায়! নিদিলে বিধিয়ে মোৰ আশা
যে পূৰাই, সাঁজি থোৱা মনৰ মাজত
কল্পনাৰ মোৰ সেই সোণৰ মন্দিৰ
ভাগি চিগি গল হায়! আজি আচম্বিতে

কৰি শূণ্য হৃদি ভাব। কায়েচ নামেৰে
এক যুবকত মজি, উন্মাদিনী হ'ল তাই।
কৰি মই বহু চেষ্টা, নোৱাৰিলোঁ প্ৰণয়ত
ঘটাব বিচ্ছেদ।
শুনিছোঁ লোকৰ মুখে, যাদুৰ
বলেৰে, ঘটাব পাৰিবা হেনো বিচ্ছেদ
দুয়োৰে, সেই হে মাতিলোঁ মই সাদৰে
তোমাক, দূত মুখে। কৃতকাৰ্য্য হলে, দিম
মই মুক্ত অন্তৰেৰে বহু ধন ৰত্ন
অলঙ্কাৰ। পাৰা নে নোৱাৰা মোক
কোৱা সোনকালে ?”
কাছেমৰ কথা শুনি গদ
গদ স্বৰে ক'লে বৃদ্ধা নাছিৰনে, মৃদু
হাঁহি ৰাখি অধৰত।
“বাছা, আছে মোৰ
এনে মন্ত্ৰ অতি গোপনীয়, প্ৰমাণিত
হৈছে বহুবাৰ। আগেয়ে নকলা কিয় ?
কোৱা হলে অতদিনে হল হয় কৰ্ম্মসিদ্ধি।

"এতিয়াও যোৱা নাই দিন" বুলিলে
বিমৰ্ষ ভাৱে ধনী সদাগৰে।
"তেনেহলে বাৰু
মই কৰোঁগই ক্ষুদ্ৰ শকতিৰে চেষ্টা যথা
সাধ্য। ফলাফল বিভুৰ হাতত।"
এই বুলি বিদাই লই বৃদ্ধা
নাছিৰনে প্ৰবেশিলে লয়লাৰ শয়ন কক্ষত।
উন্মুক্ত গবাক্ষ কাষে শয়ন কক্ষত প্ৰমোদ
কাননে চাই আছিল নীৰৱে বহি
চিৰ বিৰহিনী দীৰ্ঘ শ্বাস এৰি বেজাৰত।
ফুলিছে নানান ফুল
বাচেক বনিয়া বিলাই মাধুৰী আহা!
সূৰুযৰ ৰজত ৰশ্মিত! মুকুতাৰ
মালা যেন নিয়ৰৰ টোপা কৰি জলমল
পাহিত ওলমি থাকি চৰাইছে
সৌন্দৰ্য্য যেন সোণত সুৰগা। মধুৰ
লোভত পৰি স্বাৰ্থপৰ অলি গুঞ্জৰি
গুঞ্জৰি পৰে প্ৰত্যেক ফুলত। মলয়

সখীৰে যেন মাজে মাজে আহি নিস্বাৰ্থ
ভাবেৰে দিয়ে প্ৰতি পৰাণত ফুলৰ
সৌৰভ বাকী উন্মুক্ত চিত্তেৰে।
সম্বোধি মধুৰ স্বৰে
বৃদ্ধা নাছিৰনে বহিল
কাষত আহি শান্তিময়ী বুলাই হাত
লয়লাৰ গাত—স্বৰগৰ মন্দাকিনী নমাই ধৰাত।
"নাখাই নবই আই,
একেটা কথাকে ভাবি শুকুৱালে দেহা
হব বাৰু কিবা লাভ? কি আশা দিছেনো
তোক কায়েচ পগলাই? এৰি দে কথা
পগলাৰ। কতবোৰ ধুনীয়া ধুনীয়া,
ৰজাৰ কোঁৱৰ আছে আৰব দেশত
অতি গুণবান। হল স্নেহৰ জনক
জননী শোকে ম্ৰিয়মান তোৰে
কাৰণতে; তোৰে কাৰণতে হৈছে মহা
হুলস্থূল আৰম্ভন গোটেই নগৰ
ব্যাপি বঢ়াই কেলেশ।"

"মোৰে কাৰণতে
হৈছে মহা হুলস্থুল ? বুঢ়ী আই ! আৰু
কিনো কম, অচিৰে হুলস্থুল কৰিম
মোচণ ! বুজিবা তেতিয়া মোৰ হিয়াৰ
কেলেশ ; সৰু, বৰ, দুখী, সুখী, নকৰি
বিচাৰ, লভিব অমিয় শান্তি জনক
জননীয়ে। বুজি পাব পুনৰ আকৌ
কলীয়া কুলিৰ মাত কেনে মধুময় !"
কলে লয়লাই।
"বুজালে নুবুজা আই !
কিনো বুলি কওঁ ? শুনা তেন্তে এটি কথা
প্ৰণয় ৰহস্য।" ক'লে নাছিৰনে।
"সেই মমিনপুৰত মেনেজেৰুদ্দিন নামে
কৰিছিল বাস এক দুৰ্ভগা প্ৰেমিকে
এখনি হৃদয় লই শিলটো কঠিন।
স্বাৰ্থৰ পিচত ঘূৰি মেলি প্ৰেম-জাল,
পেলালে জালত হায় ! গুণৱতী এটি
বালিকাক। অৱশেষে চাওঁতে চাওঁতে

লম্বলা

মধুৰ কল্পনা হল অতি বিষময় ;
মধুৰ লোভত পৰি, হলাহল বিহ
কৰি পান।  নাপালে অকণো সুখ এই
জীৱনত, শোকেই হে হল মাথো সাৰ।
এৰি গুণৱতী ভাৰ্য্যা মেনেজেকদ্দিন
এক বেশ্যাৰ লগত গল এদিন পলাই
বিপদ সাগৰে কৰি অতিকে জুৰুলা।
পতিব্ৰতা গুণৱতী ভাৰ্য্যাই তেতিয়া
কান্দিলে বহুত হায়!  প্ৰণয়-ৰহস্য
বুজি ইনাই বিনাই পাপীৰ লগত।
অতিকে লজ্জিতা হই নিজৰ দোষত
লুকুৱালে দেহা তাই নদীৰ গৰ্ভত,
আছিল যিহেতু সতী, পতি পৰায়ণা,
কই গল জগতবাসীক—
“জগতৰ কোনো ৰমণীয়ে নপৰে কদাপি
গুপ্ত প্ৰণয়ত, যাতে হৃদয় উন্মুক্ত কৰি
পাপীৰ হাতত।  প্ৰণয় টলাবে পাৰে
বান্ধিব দুটাক, অবিশ্বাস শিকলিৰে

কৰিলে পৰশ ভাগি যাব প্ৰণয়
টিলাটি।"
শুনি ই মধুৰ গল্প ক'লে
লয়লাই—
"কবিৰ কল্পনাতো উত্তপ্ত
মৰুভূ মাজে বয়, স্নিগ্ধ প্ৰবাহিনী
কুলুস্বৰে নোহে অসম্ভৱ। মতা নাই
তোক মই, গুছি যাগৈ অতি সোনকালে
নুশুনাবি আৰু এই ঘৃণিত-কাহিনী।"
"ইও আকৌ
কবিৰ কল্পনা? অনন্ত বাসনা তোৰ
নহব পূৰণ, চা......তেন্তে......।"
"ই বুলি কই
বেগে বৃদ্ধা নাছিৰনে, গুছি গল মনৰ
চোতত।
ক'লে লয়লাই পিচে নিজৰ
মনত, বিষাদ মনেৰে চাই সুনীল
আকাশ।

"সোণালী আখৰে মোৰ ভাগ্যত
লিখিছে বিধি মচিবৰ শক্তি আছে
কাৰ পৃথিবীত ? উছৰ্গি জীৱন মোৰ
প্ৰতিজ্ঞাৰ সতে ভাঙ্গিবকি পাৰোঁ মই
নৰা ধেমালিত ?"

——※——

## অষ্টম সৰ্গ।

অস্ত গল দিনমণি শেষ আকাশত
সোণালী কিৰণ ঢালি, আৰবৰ সুদূৰ
পশ্চিমে থকা নীল সাগৰত। চাওঁতে
চাওঁতে আহা ! উপত্যকা গিৰি গুহা নদী
সৰোবৰ সুনীল সাগৰ আদি ঘোৰ
অন্ধকাৰে আবৰিলে। শীতল পাটিত
বহি প্ৰকৃতি সুন্দৰী বিৰাজি সৌন্দৰ্য্য
যেন লভিছে বিশ্ৰাম—মিলে য'ত শান্তিৰ
শীতল ছাঁয়া আবৰি বসুধা। ওপৰে

লয়লা

সুনীলাকাশ হীৰক খচিত, নাচে যেন
চেৰে চেৰে আপোন কক্ষত আহা ! কেনে
শোভা মনোৰম ! জীৱন যুদ্ধৰ একো
অশান্তিৰ ছাঁয়া নেদেখি ই সব মাজে
বিশ্ব কৌশলৰ। মাখো বনৰ হৰিণা
সতে ফুৰে ধৰা ধৰি কৰি বননিৰ
ফুল তুলি মালা গাঁথি পিন্ধাই গলত।
নোহে তাত কোনো সৰু বৰ অভিমানি
ৰাজ প্ৰাসাদৰ পৰা দৰিদ্ৰৰ পৰ্ণ
কুটিৰতো নিস্বাৰ্থ ভাবেৰে পৰে, প্ৰেমময়
সূৰুযৰ সোণালী কিৰণ। এয়ে
মাত্ৰ বিধাতাৰ সৃজিত মাধুৰী, স্বৰ্গ
সম বিশ্বৰ কৰুণা। আন ফালে বসুধা
ওপৰে চাকিয়ে পোহৰ দিয়ে বিলাই
জেউতি, তাতে কৰে চোৰে চুৰ, জ্ঞানী
সকলোৱে কৰে শাস্ত্ৰ অধ্যয়ন। দেখে
সকলোকে হালধীয়া একমাত্ৰ শোভে
ধৰালোকে।

নিশা আগমন দেখি চাপিল
সকলো লোক আপোন ঘৰত। বনৰীয়া
চৰাই পহুৱে গহীন জাৰনি এৰি
সহজ জ্ঞানেৰে হই অতি সুশোভিত
উভতিল নিজ বাহলই।

পতিব্ৰতা সতী সকলেও সেবিছে হৃদয় মেলি
পতিৰ চৰণ। আন ফালে বিধবাৰ
হিয়াভগা দীৰ্ঘ নিশ্বাসত, হিয়া ফটা
করুণ বিননিত প্ৰতিধ্বনি হয়
স্পন্দিতেৰে বায়ু মণ্ডলত সকলোকে
লগাই চেকা আনৰ লগত।

বিৰহী লয়লায়ো অকলে অকলে বহি শোক
বেজাৰত তুকিছে চকুলো হায়! ভাবি
ভাবি ভাবতে ওপঙ্গি। অনাহাৰে উজাগৰে
শোক বেজাৰত থাকোঁতে থাকোঁতে
হ'ল শৰীৰ মলিন। মৃত্যুৰ লক্ষণে
দেখা দিলে বাহিৰত। স্নেহৰ জনক
জননীও দেখি হ'ল শোকে ম্ৰিয়মান।

এৰি প্ৰিয়তমা পত্নী আৰু জীয়েকক,
গৈছিল জনক দূৰে কন্যাৰ কল্যাণ
কাৰণে—উপাই বিহীন হৈ।
স্নেহময়ী জননীয়ে বুকুত সাৱতি লই একে
লগে শুলে জীয়েকেৰে। গহীন দুপৰ
নিশা নাই কাৰো সাৰ সুৰ, গাম্ভীৰ্য্যতা
ময়, শুনা যায় শব্দ সামান্য বস্তুও
এটি পৰিলে মাটিত। নিমাত নিস্পন্দ
আহা! শোভা ধৰনীৰ। পৰে পৰে দিলে
মাগো নিশাচৰ ফেঁচাই উৰুলি, কৰি
ভয়াবহ পথিক জনৰ হিয়া বিকট
স্বৰেৰে। এপৰ দুপৰ কৰি শেষৰ
পৰত, দেখিলে সপোন এটি ভীষণ
দৃশ্যৰ, বিৰহিনী লয়লায়, চিন্তাৰে
আকুল প্ৰাণত।
লাহে লাহে আহিছিল, কৰি জীৰ্ণ বসন পৰিধান
দুৰ্ভগা কায়েচে তেওঁৰ কাষলই। ঠিয় হই
শয়ন কক্ষত, লয়লাৰ অপৰূপ

কৰি নিৰিক্ষণ বুলিব ধৰিলে শোকে
আকুল ভাষাৰে।
"হৃদয়ৰ ৰাণী মোৰ, চেনেহি
লয়লা! আহিছো ইবাৰ সোণ বিদাই
আশাৰে, শেষ কৰি সংসাৰৰ ভীষণ
অমানিশা। দেখি জ্যোতি চকুৰ আগত,
টানি নিছে প্ৰাণ মোৰ মোহন ভঙ্গীমে,
হৃদি কৰি অতিকে চঞ্চল। কল্পনাৰ
সিপাৰৰ অজনা দেশৰ ঢুৰণিত,
বাজিছে প্ৰেমৰ বাঁহী পৰিছে কাণত।
ইচ্ছা কৰোঁ এৰিবলৈ ঘৃণিত জীৱন যাত্ৰা,
অতি শোকাবহ। আৰু সোণ!
নিদিবা জ্বলাই, মুগ্ধ কৰি অসহন
পপীয়া মায়াত। শেষবাৰ চাই লওঁ
বুলি, আহিছোঁ ইবাৰ সোণ! বৰ আশা
কৰি। প্ৰেম সাগৰৰ, নিবিচাৰো আৰু
প্ৰতিদান, হৃদয় মলিন কৰি শত
শত হা হুতাশেৰে। সমাচ্ছন্ন কৰিলোঁ।

হৃদয়, আশাহীন যন্ত্রণাৰ দুর্ভেদ্য
তিমিৰে, ভাবিছিলোঁ উভয়ৰ মিলন
মধুৰে, ফলাব অমৃত ফল—সুখৰ
মাধুৰী। অমৃতৰ আশা কৰি মথিলো
প্ৰণয়-সাগৰ, কৰ্ম্ম দোষে প্ৰতি কূলে
চলি বিবেকৰ, অমৃতৰ পৰিবৰ্ত্তে;
মহা সিন্ধু হ'তে দেখা দিলে হলাহল,
জৰ্জ্জৰিত কৰি কলেবৰ, গন্ধ
স্পৰ্শ মাত্ৰে।
হৃদয়ৰ স্নেহময়ী সিগ্ধ
লতা ডালি! কি বুলি, কৰিম ব্যাখ্যা, শক্তি
আছে ক'ত? যিদিন জোনালী নিশা মধু
মিলনত, পমালা হৃদয় মোৰ সেৱা
শুশ্ৰূষাত, কঠুৱা অস্থিৰ শৰীৰৰ।
কিহৰ নিমিত্তে প্ৰাণে আনন্দত বুৰ
দিলে প্ৰেম-সাগৰত? কিহৰ নিমিত্তে
গালে প্ৰেমৰ মাধুৰী গীতি সুমধুৰ
পঞ্চম তানত? চেনেহি! চেনেহি! মোৰ

প্ৰাণৰ চেনেহি ! বহু চেষ্টা কৰি মই,
তৱ আশা নোৱাৰিলোঁ কৰিব পূৰণ ;
কিবা আশা, কিবা লাভ এই জীৱনত ?
মিলিম সুখেৰে আমি সৰগ ৰাজ্যত,
নাই য'ত বিৰহ বিচ্ছেদ, নাই য'ত
"পোহনীয়া কুকুৰৰ" বিষম কামোৰ
শৰীৰ শিয়ঁৰি উঠা বৃশ্চিক দংশন।
এৰি দিলোঁ মমতা প্ৰাণৰ, যাওঁ মই
যাবা তুমি অকল সৰেৰে।"
শুনি—করুণ স্বৰ ক'লে লয়লাই। "নাপালে
অকণো শান্তি, অভাগীৰ নিমিত্তে হায় !
এই জীৱনত। কাৰ হাতে এৰি দেৱ !
চিৰ অভাগীক, ওলাল যাবলৈ নিজে
নোৱাৰোঁ ভাবিব। অনাহাৰে উজাগৰে
কাৰ কথা ভাবি আৰু দেহা শুকুৱাম,
দেৱ ! বিদাই ! শেষৰ বিদাই ! হানিব
হৃদয় মোৰ, সহস্ৰ শেলেৰে, আশাৰ
সপোন ভাঙ্গি আচম্বিতে মোৰ, গভীৰ

নিনাদ আহি নজনা দেশৰ, মিলিব
একেটি হৈ হিয়াৰ মাজত। তথাপিও
প্ৰাণ পক্ষী দেহ সজা এৰি, নোৱাৰিব
ওলাই যাব, বৰ কষ্টকৰ! যিমান
আসক্ত যি সিমান জ্বলিব। অৱশেষে,—
বিদাই সঙ্গীত গাব, সৰিৎ সাগৰ
আৰু আকাশ পৃথিবী।”
ক'লে, বিমৰ্ষ
ভাবে দুৰ্ভগা কায়েচে, বুলাই চেচনি
হাত লয়লাৰ গাত, গোলাপী গালত
কৰি চুম্বন মধুৰ।
“যাম বুলি ভাবি,
আহিছোঁ ওলাই প্ৰিয়ে! সাজি পাৰি মই,
নিদিবা প্ৰাণত আৰু অগনি জ্বলাই।
আশা মোৰ, প্ৰাণ মোৰ, বিলাস সম্ভোগ,
মোৰ বুলি আৰু সোণ! নকৰা বেজাৰ,
মোহময় মায়াময় সকলো মাথোন।
শুভাননে! অনৰ্থক নকৰিবা শোক,

অন্তহীন জলধীত এৰোতে শৰীৰ
অতিকে জুৰুলা হল ; দূৰ দূৰণিত
দেখিছিলো, ৰিণি ৰিণি বিমল আলোক,
আচম্বিতে মাৰ গল, বৰ শোকাবহ !
আহিলোঁ আহিলোঁ সোণ ! বিদাই, শেষ
বিদাই !"—
ই বুলি পৰিল ঢলি মাটিত
সবেগে। গোলাল এটিও শব্দ,
মুখৰ পৰাই, প্ৰাণ পক্ষী উৰিগল
দেহ সজা এৰি। লয়লাই, টোপনিৰ পৰা
পালে সাৰ এনেতেই। অতি আচৰিত
হই, সঠিক যেন ভাবি, চালে মাটি
ওপৰত, নপৰিল চকুত একোকে।
ধৰিলে কান্দিব হায় ! ইনাই বিনাই।
মাকেও এনেতে পালে সাৰ, শুনি ধ্বনি
কান্দোনৰ। ৰজনী প্ৰভাত হল হাঁহিলে
প্ৰকৃতি।
বুলিলে বিমৰ্ষ ভাবে মাকে লয়লাক

"কি হল, কি হল, আই! কিয়নো
কান্দিছ, আচম্বিতে দেখি স্বপ্ন কান্দিছে
পৰাণ, দিঠকতেই হল পৰিণত।
কঁপিছে শৰীৰ, নুবুজো ৰহস্য আজি
কি কৰে বিধিয়ে। শোভিছে বদনকান্তি
হৃদয় মাজত; পূৰ্ণচন্দ্ৰ সম শোভা
স্নিগ্ধ আভাময়ী; মনোহৰ বিম্বাধৰ
প্ৰবালনিন্দিত; বৰ্ণাব কিৰূপে কবি,
সিৰূপ মাধুৰী। কিশোৰীৰ অৰুণ
বৰণ, চাওঁতে চাওঁতে হল লীন
এন্ধাৰত, ভয়ঙ্কৰ ধোৱাঁ জুইয়ে, ই
বসুধা সঘনে কপাই। ধন্য প্ৰভুৰ
কৰুণা মহান!"
আউলি বাউলি হই
কান্দি কান্দি কলে লয়লাই।
"অভাগীক
এৰি কায়েচেও, সামৰি জীৱন লীলা
মোৰ কাৰণেই, গুচি গল; সপোনত

দেখা পালো আজি। কৰিছে সুখেৰে বাস
সৰগ ৰাজ্যত। মিছাই ধৰিলা আই!
পিশাচিণী জীয়েৰাক, দহ মাহ দহ
দিন গৰ্ভৰ মাজত। মিছাই কৰিলা
মোক, ডাঙৰ দীঘল আই! কষ্টৰেই
খুটি খাব পৰা। এদিনো তোমাক যদি
দিলো হয় সুখ, ভাবিলোঁ হেতেন মোৰ
সাৰ্থক জীৱন। কৰিবা সকলো দোষ
ক্ষমা অভাগীৰ, মুক্ত চিত্তেৰে।

নাকান্দো—

নাকান্দো আৰু আজিৰ পৰাই, শেষ
হল জীৱনৰ মহা যজ্ঞ মোৰ। দিয়া
আই! আনন্দেৰে শেষৰ বিদাই। যাওঁ
মই আজি, এৰি এই ঘৃণিত জীৱন।
পালা বহু ক্লেশ হায়! মোৰেই পৰাই।
সেৱা মোৰ জনাবা পিতাক, নোৱাৰিলো,
কৰিব স্পৰ্শ যুগল চৰণ, পপীয়া
হাতেৰে। বৰ মৰমৰ মই আছিলোঁ

পিতাৰ। পিতা! পিতা! ল'বা মোৰ সহস্ৰ
প্ৰণাম, কৰিবা আশীষ মোক, হয়
যেন দেহৰ সদ্গতি। আহিলো, আহিলো
আই! শেষ নমস্কাৰ। পিতা! দ য়া ম য়!"
ইবুলি থাকোতে ক'ই চকু লুটি খালে
মিলিল জীৱাত্মা গই অনন্ত বায়ুত
মায়াময় দেহ সজা এৰি।

জননীয়ে

অতি আচৰিত হই ধৰিলে কান্দিব।
"ইয়াকে লিখিলা বিধি! ভাগ্যৰ চকৰি
মোৰ গল ৰসাতলে, নিজৰ দোষত
মই হেৰুৱালো লয়লা ৰতন। প্ৰাণ
আজি যোৱা নাই কিয়, এৰি থই দেহ
সজা মোৰ? প্ৰাণ মোৰ লয়লা ৰতন! কিয়
এৰি জননীক শোক সাগৰত, গলি
গুছি? শোকানলে দহিছে পৰাণ।
দহ মাহ দহ দিন ধৰি গৰভত,
এয়ে মোৰ কষ্টৰ সাধনা? লয়লা! লয়লা!

আজি ধৰি হলো বন্ধ্যা মই, সাজি থোৱা
সোণৰ সংসাৰ, ফুৎকাৰে উৰুৱাই
দিলি, লয়লা ! লয়লা !!”

---

## নৱম সৰ্গ

গহীন বননি মাজে গভীৰ ভাবত,
বহি আছে কোন সউ নিৰাশ মনেৰে,
তিয়াগি মমতা আৰু চেনেহ প্ৰাণৰ,
হিংস্ৰক জন্তুৰ মাজে নিৰ্ম্মল চিত্তেৰে।
লৱনি সুন্দৰ দেহা অতি বিতোপন
অতি নিপোতল হাত মোলানৰ দৰে,
নেদেখি মুখত সেই—চন্দ্ৰৰ কালিমা,
যিদৰে বিৰাজে আহা ! যুগ যুগান্তৰে।
বিষাদৰ ক'লা দাগে বদন মণ্ডল
গভীৰ নিৰাশা কই আত্মহাৰা কৰি,
কোমল প্ৰাণত দিছে গভীৰ ৰজনী
চন্দ্ৰমা বিহীন কৰি মধুৰ দৃশ্যৰ।

## লয়লা

কোন তুমি? কিয় তুমি টুকি চকুপানী
শোকেৰে কৰিছা আজি ধৰনী প্লাবিত
উজাগৰে অনাহাৰে থাকি থাকি কিয়
ভাবনাকে কৰি লই লক্ষ্য জীৱনৰ ?
প্ৰণয় গজালি মেলি সৰু বয়সত
সপিলেনে মন প্ৰাণ গোপনেৰে আহি
তাৰ সেই প্ৰতিদান বিচাৰি নাপাই
আছানেকি বহি তুমি বিৰহীৰ বেশে ?
নতুবা কঠোৰ ব্ৰত বুকে বান্ধি লই
সংসাৰৰ মৰিচীকা গুচাবৰ হেতু
অসাৰ সংসাৰ মাজে যিদৰে বিৰাজে
—এষাৰি মধুৰ মাত আৰু এটি হাঁহি।
সোণ বৰণীয়া দেহা শোক বেজাৰত
কিয়নো কৰিছা হায়? এঙ্গাৰ বৰণ,
মাজে মাজে এৰি আৰু দীৰ্ঘ হুমুনীয়া
কান্দে কিয় তব প্ৰাণে কাৰনো শোকত ?
চাওঁতে চাওঁতে হল সন্ধ্যা সমাগম
ৰঙ্গা বেলি মাৰ গল শেষ আকাশত

লয়লা

হেঙ্গুলি বৰণ ঢালি ডাৱৰৰ গাত
উঠিছিল প্ৰতিবিম্ব নদীৰ গৰ্ভত।
নিকুঞ্জ বনত পৰি বিহঙ্গম কুলে
তোষে প্ৰাণ তাপিতৰ আৰতি গীতিৰে
অবুজ ভাষাক লই বত্ৰিশ ৰাগিনী
জিলিয়ে প্ৰভুৰ গুণ মহিমা বৰ্ণায়।
বিশ্ব প্ৰেমিকৰ দৰে ইফালে জোনায়ে
পৰ্ণ কুটীৰৰ পৰা অট্টালিকা লৈকে
অপূৰ্ব্ব প্ৰেমৰ সেই শীতল কিৰণ
ঢালি দিছে যত পাৰে গহীন নিশাক।
এপৰ দুপৰ কৰি তিনি পৰ গল
তথাপিও যুবকৰ নাভাগিল ধ্যান,
বিবিধ ভঙ্গীমে দিলে ফেচাই উৰুলি
ভয়াবহ কৰি তুলি গহীন নিশাক।
হঠাৎ ভাগিল যেন সোণৰ সপোন,
সপোন নে দিঠক একো ভাবিব নোৱাৰি
একেথিৰে তথা লাগি আকুল ভাবেৰে
কবলৈ ধৰিলে তেওঁ উন্মাদৰ দৰে।

"গ'লা সোণ! গ'লা আজি অকল সৰেৰে
এৰি হতভগীয়াক বনৰ মাজত।
মহাযাত্ৰা শুনি এই আজি আচম্বিতে
কেনেবা লাগিছে মোৰ আকুল হৃদয়।
মিছানে অন্তৰ?
বাসন্তীৰ ফুলা ফুল যদিও সুন্দৰ
যদিও সৌৰভ ৰেণু বুকে বান্ধি লই
ফুটুৱাই মৰুমাজে স্নিগ্ধ প্ৰৱাহিণী
পাই নেকি কিবা এক অপূৰ্ব্ব সোৱাদ
হিয়া অধীশ্বৰী মোৰ তেওঁৰে লগত?

সুধাংশু!
সৌন্দৰ্য্যৰ ৰাণী বুলি জগতে প্ৰশংসে।
দেখিছো সৰুৰে পৰা কলঙ্কৰ দাগ
বদনে অঙ্কিত সেই কলঙ্ক কালিমা
তথাপি মোহিলা তুমি গোটেই জগত।
হিয়া ভাঙ্গি যোৱা মোৰ সপোন ৰাজ্যৰ
অতিকে জুৰুলা কৰি অৱশ পৰাণ
পাবানেকি স্থান তুমি তেওঁৰ লগত?

বিম্বফল ?
ৰকত বৰণ কিন্তু দেখাত সুন্দৰ,
নীৰবে অকলে বহি কৰিয়েহে মাথো
বৰ্ণিয় তোমাৰ সেই ৰূপ গুণৰাশি
অধৰে শোভিত কৰা সৌন্দৰ্য্য বিকাশ।
হবানে সক্ষম তুমি তেওঁৰ দৰেই;
হৃদয় ব্যাকুল কৰি বিবিধ ভঙ্গীমে,
খুলি দিবলই এক হাস্য উৎস ধাৰা ?
কোকিল ! তাহানিয়ে শুনিছিলো নিজান বনত
অতি বিয়াকুল হই পুৱতি নিশাত
অতি শোক লগা এক আকুল আহ্বান,
শুনিও তোমাৰ সেই পঞ্চম ৰাগিণী
পাহৰি পেলাম মই আকুল আহ্বান ?
যদিও বনত পৰি বিহঙ্গম কুলে
তোষে প্ৰাণ তাপিতৰ কাকলীগীতিত
বিচাৰি চপাই লই বত্ৰিশ ৰাগিণী
অমিয় নিজৰা ঢালি দগ্ধ হৃদয়ত।
টানি লই অভাগাৰ আকুল পৰাণ

অজনা দেশৰ ফালে পুণ্য প্ৰবাহেৰে
তথাপি শুনিলে মই শত ৰাগিণীও
কদাপি নহয় মোৰ হৃদয় স্পন্দন।
সাগৰ !
মহান গভীৰ বুলি যেয়ে সেয়ে কয়
ৰাখিছা গৰ্ভত তুমি ৰত্ন অলঙ্কাৰ ;
বিলাই সৌৰভ নিজে মৰু প্ৰান্তৰক
অজানে মৰহি যাই বনৰীয়া ফুল
যদিও দেখাত হায় ? অতিকে চিকণ।
তথাপি তেওঁৰে সৈতে কৰিলে তুলনা
পৰি ৰবা সুদূৰত ম্ৰিয়মান হই।
স্মৃতি !
ক'ত আজি দৰিদ্ৰৰ ক্ষুদ্ৰ হৃদয়ত
জ্বলিছে উজ্জ্বল হই তোমাৰ প্ৰভাব !
তথাপিও তাপিতৰ বনৰ মাজত
তুমিয়েহে একমাত্ৰ সখা জীৱনৰ,
জন্ম জন্মান্তৰ যাৰ তমসী নিশাত
ছেৱে ছেৱে জীৱনৰ সোঁৱৰণি পট

দেখুৱাব পৰা তুমি উজ্জ্বল কিৰণ।
সেই হে তোমাক কওঁ সখা জীৱনৰ,
ধৰি আছোঁ প্ৰাণ মই তেওঁৰে ভাবত
অতীব মহান তেওঁ অতিব সুন্দৰ
তেওঁএই একমাত্ৰ সখা জীৱনৰ।"
মনৰ আবেগ যেন ৰাখিব নোৱাৰি,
আপোন পাহৰা হই গহীন নিশাত
হৃদয়ৰ ভাব চিন্তা সকলো দেখাই
আকৌ ধৰিলে কব আকুল ভাবেৰে।
"লয়লা! লয়লা! মোৰ প্ৰাণৰ লয়লা!
কি দোষত দিলা আজি চিৰ অভাগাক
শান্তনা নোপোৱা এক আকুল যাতনা।
সহিব নোৱাৰো সোণ এনুৱা বিৰহ
শেষ হব প্ৰাণ আজি তোমাৰ শোকত।
যি দিনা জোনালী নিশা মধু মিলনত
বান্ধিলা হৃদয় মোৰ প্ৰণয় সূতাৰে,
ছিঙিব নোৱাৰো সোণ আজি এতিয়াও,
অকলে অকলে বহি কল্পনা তুলিবে।

মধু মিলনত মই যিদিন লভিলোঁ
ভুলিব নোৱাৰো এক আকুল আহ্বান,
আজি এতিয়াও হায়! জ্বলি জ্বলি মোৰ
দহিছে হৃদয়খনি দুগুণে জ্বলাই!
প্ৰেমৰ মাধুৰী মালা প্ৰণয় সূতাৰে
গাঁথিছিলো হেপাহেৰে দিম বুলি মই
প্ৰতিদান পাবলৈ কৰিলোঁ প্ৰতীক্ষা,
এখনি চেচনি হিয়া এটি মউমাত।
নুবুজো বিধিৰ লীলা শকতিও নাই
ক্ষুদ্ৰ নৰে বুজে ক'ত বিশ্বৰ ৰহস্য
আকুল অহ্বান মাথো এজুৰি চকুৰে
চাই আছোঁ একে ঠৰে ম্ৰিয়মান হই।
বিশ্বাস ঘাতকী হেৰ নিৰ্ব্বোধ পিশাচ
কৰিছিলি ষড়যন্ত্ৰ কিহৰ আশাত,
পূৰিল নে হেপাহ তোৰ
পিপাসা প্ৰাণৰ।
লভিলিনে লয়লাৰ কোমল হৃদয়?
স্বাৰ্থপৰ আছনেকি এতিয়াও ধৰাত জীয়াই

লয়লা

আছনেকি এতিয়াও ষড়যন্ত্ৰ কৰি
আছনেকি এতিয়াও কৃতদাস হই
"পোহনীয়া কুকুৰৰ দৰে" গৃহস্থৰ ?
ক্ষমিলোঁ সকলো দোষ মুক্ত অন্তৰেৰে
ক্ষমাৰ নিমিত্তে স্থান আছে হৃদয়ত
ক্ষমাৰ নিচিনা তীব্ৰ নাই প্ৰতিশোধ।
লয়লা! লয়লা! মোৰ প্ৰাণৰ লয়লা!
নেদেখিলো আজি হায়! শেষ মুহূৰ্ত্তত।
গ'লা তুমি ? যাওঁ মই অকল সৰেৰে
এৰিলো মমতা আৰু বিলাস ভোগৰ।
ৰবা সোণ! কিছুপৰ, লৰিছো অকলে
ওখোৰা মোখোৰা বাট নেদেখোঁ একোকে।
অস্পষ্ট ভাবেৰে মই দেখিছো তোমাক
শুনিছোঁ তোমাৰ মাত বহুত দূৰত।
ৰ'বা সোণ ? ৰ'বা সোণ ? লই যোৱা মোক
নেৰিবা অকলসৰে পথশ্ৰান্ত কৰি।
নঘটিল পৃথিবীত আমাৰ মিলন।
পাৰ কৰা দয়াময় শুভ মুহূৰ্ত্তত

ক্ষমিবা সকলো দোষ চিৰ অভাগাৰ।”
সহিব নোৱাৰি আৰু বিৰহৰ জ্বালা,
মুদিলে নয়ন তেওঁ চিৰকাল লই।
উৰি গল প্ৰাণ বায়ু শুকান কণ্ঠৰ
আশাৰ ফুলনি বাৰী আশাতে শুকাই।
সংসাৰৰ মায়াজৰি চেনেহ বান্ধোন
দগ্ধ কৰি চিৰ দুখী জনক জননীক
শোকাগ্নি জ্বলাই আজি শূন্য পৰাণেৰে
ভগ্ন হৃদয়ীয়া সতে মাগিলে বিদাই।

---

## দশম সৰ্গ

শুভ্ৰ তুষাৰাবৃত
সুউচ্চ চুৰাৰে, হিমালয়ৰ বিৰাট
মাধুৰী, যিদৰে বিৰাজে আহা! বাহ্যিক
মহান দৃশ্যত, বিশাল বিশ্বৰ মাজে
চিৰ যোগী বেশে মত্ত হই সুনীল

আকাশ নৈতে অনন্ত প্ৰেমত, তথাপি
মহত্ব তাৰ নাপাই প্ৰকাশ।
মহত্ব, বিৰাজে কেৰলে, ব্ৰহ্মপুত্ৰ, সৰস্বতী
গঙ্গা, সিন্ধুনদ আদি কৰি মহা মহা
চিৰ প্ৰৱাহিত, অনন্ত প্ৰতাপে আহা!
—স্বভাৱৰ দানে, হৃদয় উন্মুক্ত কৰি,
ভাৰতবাসীৰ সধা উপকাৰ।
আৰু দেখুৱা কৰুণা নিজে বিশ্বপ্ৰেমিকক
হৃদয়ৰ জ্ঞান গৰ্ভ গভীৰ গুহাত
সধোৱা স্বজাতি মঙ্গল। সাৰ্ব্বজনীন,
ভাৰত উন্মাদ কৰি মহাশত্ৰুকো;
বন্ধু বুলি, ভাই বুলি কৰা আলিঙ্গন।
মহা মহা ভাব কল্প আৰ্য্য যোগীগণে,
জ্ঞান সুধা কৰি পান, জ্ঞানৰ আলোৰে
কৰিছিল ভাৰত উজ্জ্বল।
আৰু, শুভ্ৰ তুষাৰ চূৰা
শোভি সুদূৰত, সোণালী
কিৰণে কৰি অতি জলমল, নীলিমা

মিলিত স্নিগ্ধ মনোমুগ্ধকৰ, সৌন্দৰ্য্য
বিৰাজি নিতে ; তাপিতৰ প্ৰাণে ঢালে
নিতে শান্তি বাৰি। ইয়াতে প্ৰকাশে মাত্ৰ
হিমাদ্ৰিৰ-মহত্ব মহান।

মানুহ জনম ধৰি থাকি পৃথিবীত,
সহস্ৰ সহস্ৰ গুণে হই লাখপতি, ৰূপত
কন্দৰ্পকো কৰি পৰাজিত, পৰদ্ৰোহ
চৰ্চ্চা আৰু মিছা অপবাদ আদি কৰি
নানাবিধ গৰ্হিত কামেৰে আৰম্ভিলে
জীৱন যাত্ৰা, মানৱৰ মহত্ব গুণ
নাপাব প্ৰকাশ।

পূণ্য জাহ্নৱী প্ৰৱাহ !
মিলিছে যিদৰে সাগৰ বুকত ৰঙ্গে,
অনন্ত প্ৰৱাহ ঢালি অনন্ত প্ৰেমৰ।
কি এক মাধুৰী আহা ! মধু মিলনত
যুগ যুগান্তৰ ব্যাপী অপাৰ ৰহস্য,
লোকক শিক্ষাদি গই মিলে আনন্দত।
লয়লাৰ কথা হায় ! পৰিলে মনত

কান্দি উঠে প্ৰাণ মোৰ অজান ভাবত।
বিচ্ছেদ ঘটালে মাত্ৰ মুখত মধুৰ থকা
স্বাৰ্থান্ধ সকলে। নহল মিলন
কিন্তু—সৰগৰ দুটি প্ৰাণ একেটি
ভাবতে; নাৰাখি পাৰ্থক্য একো
বিশ্বৰ মাজত।
সেই বন্ধু নামে খ্যাত, স্বাৰ্থৰ
পিচত ঘূৰি জ্বলালি জীৱন কিয়,
পিশাচৰ দৰে? নৰশ্ৰেষ্ঠ বুলি কৰ মিছা
অভিমান, জ্ঞানহীন বুলি ইহঁত
বন্য জন্তু সৰে।
কিন্তু নোহে ইয়াতেই, আছে এনে
নৰপশু বিশ্বৰ মাজত, ঘৃণনীয়
কাম কৰে স্বাৰ্থৰ কাৰণে।
বুলিলে বিমৰ্ষ ভাবে, আচম্বিতে, সুহৃদ
এজনে। স্বাৰ্থপৰ পিশাচ এটাই দেখালে
চৰিত্ৰ তাৰ, তেজৰ সোৱাদ পোৱা পিশাচৰ
দৰে, কলঙ্ক কালিমা সানি, কাৰোবাৰ

প্ৰিয় সঙ্গমত। পালে বহু অপমান
মচিলে নমচা। মৰি যা মৰি যা হেৰ
অধম বৰ্ব্বৰ! জুইত পুৰিলে মাত্ৰ
সোণৰ বৰণ, দুগুণে জেউতি চৰে
বুজ এটিবাৰ; বুজাই দে আকৌ তই
লগৰীবোৰক। কৰিলি যিমান তই
দ্ৰোহ আচৰণ, পাম বুলি কিবা এটি;
মৰিচীকা আশা তোৰ মৰিচীকা ভ্ৰম।
নমালি চৰিত্ৰ মাত্ৰ নিকৃষ্টৰ কাষে।
মিলিছে ৰঙ্গেৰে আজি কায়েচ লয়লা
পাৰ কৰি জীৱনৰ মহাযজ্ঞ নিজে,
শান্তিময় সৰগ ৰাজ্যত। পুৱাল
দুখৰ নিশা আজি সেই মধুমিলনত।
দুখনি প্ৰেমৰ নই, সাগৰ সঙ্গমে
গ'ল, নৱ যৌৱনক হাতে লই সৰগ
ৰাজ্যত। নাই য'ত বিৰহ বেদনা
হৃদয় মলিন কৰা কেনেবা
দৃশ্যৰ, নাই য'ত অশান্তিৰ ছায়াঁও

অকনো। মাথো সুখ চাৰিফালে নিস্বাৰ্থ
ভাবৰ, বিশ্ব-প্ৰেম বিৰাজে সদায়।
"আবেগত হই প্ৰতিঘাত ব্যতিৰেকে
বাট ল'ই মহাযজ্ঞ জীৱনৰ দিলে অৱসান,
বিলাই সৌৰভ মাত্ৰ মৰুপ্ৰান্তৰক,
অজানে মৰহি গ'ল বনৰীয়া ফুল !"

—শেষ—

